অট্টালিকা খহি
৭জনৰ কৰুণ মৃত্যু
বাংগালুৰু, ২৩ অক্টোবৰঃ
ধাৰাসাৰ বৰষুণৰ মাজতে
বাংগালুৰুত এটা নিৰ্মীয়মান
সাত ৭ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, OCTOBER 24, 2024 ■ বৃহস্পতিবাৰ, ৭ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯০ Guwahati, Assam ।। মূল্যঃ এটকা

**ৰাজনীতি! কংগ্ৰেছত যোগ নিদিয়াকৈয়ে পালে কংগ্ৰেছৰ টিকট**

# বিৰোধী ঐক্য অন্ত! বিহালীত জয়ন্ত চূড়ান্ত

ই-সংবাদ, ২৩ অক্টোবৰঃ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলগীয়া ২৩ নৱেম্বৰৰ দিনটোত জয় লাভেৰে ওস্তাদ হ'ব পাৰে নে নোৱাৰে সেয়া এতিয়াই ক'ব পৰা নগ'লেও ২৩ অক্টোবৰত 'ওস্তাদৰ খেল শেষ ৰাতি'ৰ লেখীয়াকৈ খেল দেখুৱাবলৈ সমৰ্থ হ'ল সদ্য বিজেপি ত্যাগী নেতা জয়ন্ত বৰা ২৫ হাজাৰ টকা বণ্ডত জামিন লৈ মুকলি আকাশৰ শেষাংশ ২ পৃষ্ঠাত

# সুৰা, সমাজ আৰু চৰকাৰ

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



সুৰা ক্ষতিকাৰক হয়নে? এই প্ৰশ্নটো ভাৰত বা অসমত উত্থাপিত হোৱাৰ লগে লগে নস্যাৎ কৰা হয়। সুৰা বাৰু কিদৰে ভাল বস্তু হ'ব পাৰে? সুৰা স্বাস্থ্যৰ পক্ষে হানিকাৰক বুলি বটলটোত লিখা শেষাংশ ৩ পৃষ্ঠাত

## পাওনা বিচাৰি হুৰমুৰকৈ আহিছে বিধ্বংসী ডেনা

ই-সংবাদ, ২৩ অক্টোবৰঃ সাগৰৰ মাজত ১২০ কিলোমিটাৰৰ প্ৰচণ্ড গতিৰে প্ৰবাহিত হৈ থকা মহাদেশীয় ঘূৰ্ণী ডেনাই আতংকৰ সৃষ্টি কৰিছে ওড়িশা আৰু পশ্চিমবংগত। কালৰূপ ধাৰণ কৰি শেষাংশ ৫ পৃষ্ঠাত

## আমানতৰ ধন... বাৰে বাৰে বিবেকৰ দিবলৈ মন!

**নেখেলো বুলি কৈয়ো ল'লে মনোনয়ন**

ই-সংবাদ, ২৩ অক্টোবৰঃ দিল্লীৰ পৰা অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙে ভূপেন বৰালৈ এখন পত্ৰ প্ৰেৰণ কৰি বিবেক দাসৰ প্ৰাৰ্থিত্বক লৈ প্ৰশ্ন তুলিছিল। শেষাংশ ৭ পৃষ্ঠাত



## মৰ্চা এৰিলে ভূপেন বৰাই কংগ্ৰেছৰ মুখলৈ শেষ ক্ষণলৈ চাই ৰ'ল অখিল-লুৰীণে

ই-সংবাদ, ২৩ অক্টোবৰঃ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি পুৱা অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ৰ সভাপতি পদৰ পৰা পদত্যাগৰ পাছতে বিৰোধী মিত্ৰজোঁট থানবান হৈ পৰাৰ শেষাংশ ৭ পৃষ্ঠাত

## ৱায়নাডৰ উপ-নিৰ্বাচন ঢোলে-ডগৰে মনোনয়ন দাখিল প্ৰিয়ংকা গান্ধীৰ

ৱায়নাড, ২৩ অক্টোবৰঃ অৱশেষত সক্ৰিয় ৰাজনীতিত ডিঙা মেলিলে গান্ধী পৰিয়ালৰ আন এজন সদস্য প্ৰিয়ংকা গান্ধীয়ে। ৰাজনীতিৰ পথাৰত কাহানিবাই খোজ থৈ কংগ্ৰেছৰ শেষাংশ ৫ পৃষ্ঠাত

**আজি আহি পাবই! মন্ত্ৰী কেশৱ মহন্তই দিলে আশ্বাস**

# ড্ৰেজাৰৰ অপেক্ষাত মাজুলীবাসী!

মাজুলীৰ পৰা পৰাণজ্যোতি বৰা, ২৩ অক্টোবৰঃ ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস হোৱাত মাজুলীৰ ঐতিহাসিক পাৰঘাট কমলাবাৰী-নিমাতী সংযোগী ঘাটটোৰ পৰা ফেৰী চলাচলৰ ক্ষেত্ৰত সমস্যা হোৱাত ২০ অক্টোবৰ পৰা সম্পূৰ্ণৰূপে যাত্ৰীবাহী ফেৰী চলাচল অনিৰ্দিষ্ট কাললৈ বন্ধ ৰাখিছে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস হৈ ফেৰী বন্ধ হৈ শেষাংশ ৬ পৃষ্ঠাত

## ভুৱা বুলি দাবী মহনৰ ৩৬ টা ৰাজহ চক্ৰৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত

ই-সংবাদ, ২৩ অক্টোবৰঃ ৰাজ্যৰ ২৭খন জিলাৰ ৩৬টা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত লোৱা বুলি এখন পত্ৰ প্ৰকাশ পোৱাৰ পাছতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ক্ষোভৰ দাবানল শেষাংশ ৪ পৃষ্ঠাত



ৱায়নাড সমষ্টিত মনোনয়ন দাখিলৰ সময়ত ভাতৃ ৰাহুল গান্ধীৰ সৈতে প্ৰিয়ংকা

## ব্ৰিকছৰ মঞ্চত ৫ বছৰৰ অন্তত চীনৰ ৰাষ্ট্ৰপতিক লগ পালে প্ৰধানমন্ত্ৰী মোদীয়ে

**সীমান্তৰ সংঘাত নাইকিয়া কৰাত গুৰুত্ব আৰোপ**

মস্কো, ২৩ অক্টোবৰঃ ৰাছিয়াৰ কাজান চহৰত অনুষ্ঠিত হৈ থকা ১৬সংখ্যক ব্ৰিকছ সন্মিলনৰ মাজতে আজি বৈঠকত মিলিত হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শেষাংশ ৪ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধী ঐক্য অন্ত! বিহালীত

তলত থকা ভূ-মাফিয়া হিচাপে খ্যাত বিহালীৰ এইগৰাকী প্ৰাক্তন বিজেপি নেতাই অসম সন্মিলিত মৰ্চা অৰ্থাৎ পূৰ্বৰ বিৰোধী ঐক্য মঞ্চৰ সকলো অংকত আউল লগাই কংগ্ৰেছত আনুষ্ঠানিকভাৱে যোগদান নকৰাকৈয়ে লাভ কৰে কংগ্ৰেছৰ টিকট। বুধবাৰে পুৱা ১০ বজাৰে পৰা গোটেই দিনটো অসম সন্মিলিত মৰ্চাৰ নেতাসকলৰ লগতে প্ৰদেশ কংগ্ৰেছৰ নেতাসকলকো চৰম উৎকণ্ঠাত ডুবাই ৰাখি নিশা ১১ বাজি ৯ মিনিটত নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বিহালী সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। কংগ্ৰেছৰ শীৰ্ষ সূত্ৰৰ উধৃতিৰে বিগত কেবাদিনো ধৰি চলি থকা চৰ্চা অনুযায়ীয়েই জয়ন্ত বৰাকেই প্ৰদান কৰা হয় প্ৰাৰ্থিত্ব। অবৈধভাৱে আনৰ ভূমি দখলৰ গুৰুতৰ অভিযোগ থকা সদ্য বিজেপি ত্যাগী জয়ন্ত বৰাক প্ৰাৰ্থী কৰাৰ লগে লগে কংগ্ৰেছে তেওঁৰ কুকীৰ্তিক মহিমামণ্ডিত কৰিব খোজা বুলিও অভিযোগ উঠিছে। অবৈধ কাম-কাজৰ বাবে কুখ্যাত হৈ পৰা প্ৰাক্তন বিজেপি নেতাজনক কংগ্ৰেছে পুৰস্কৃত কৰিব খুজিছে বুলিও অভিযোগ উঠিছে। উল্লেখ্য যে, বিহালীত কংগ্ৰেছে শেষ মুহূৰ্তত টিকট প্ৰদান কৰা জয়ন্ত বৰাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগত কেবাটাও গোচৰ চলি আছে। বৰাৰ বিৰুদ্ধে বিশ্বনাথ আৰক্ষী থানাত ৩০/২১ নম্বৰত ভাৰতীয় দণ্ড বিধিৰ ১২০বি/৪২০/৪০৯/৪৬৭/৪৬৮/৪৭১ ধাৰাত গোচৰ ৰুজু হৈ আছে। অবৈধ ভূমি বেদখলৰ গোচৰত ২৫ হাজাৰ টকাৰ বণ্ডত জামিন লৈ মুকলি আকাশৰ তলত থকা জয়ন্ত বৰাক বিজেপিয়ে গোচৰ সংক্ৰান্তিয় কাৰণতে টিকট নিদিয়া বুলি বিশ্বনাথ জিলা বিজেপিৰ এটা সূত্ৰই দাবী কৰিছে। নাম প্ৰকাশত অনিচ্ছুক বিশ্বনাথ জিলা বিজেপিৰ এজন নেতাই দাবী কৰি কয় যে জয়ন্ত বৰাই ক্ষমতাৰ অপব্যৱহাৰ কৰি ভূমি দখলৰ দৰে কাণ্ড সংঘটিত কৰাৰ অভিযোগ আছে। ভূ-মাফিয়াগিৰি কৰা বুলি বিজেপি নেতাগৰাকীয়ে অভিযোগ উত্থাপন কৰি আদালতত গোচৰ চলি থকা এটা কপি নিউজ নেক্সট ওৱানৰ হাতত তুলি দি কয় যে এনে কাৰণতে বিজেপিত টিকটৰ পৰা বঞ্চিত হৈছিল বিতৰ্কিত জয়ন্ত বৰা। জয়ন্ত বৰাৰ কেৱল এটা ঘটনাৰ সৈতেই জড়িত নহয়। অবৈধ ধন ঘটিবলৈ এনে বহু কাণ্ড সংঘটিত কৰিছিল বুলিও কয় সূত্ৰটোৱে। জানিব পৰা মতে, ২০২১ চনৰ ২০ ছেপ্টেম্বৰত বিশ্বনাথৰ উপায়ুক্তই ৰাজহ চক্ৰৰ কাৰ্যালয়ত ব্যাপক অনিয়ম সংঘটিত কৰি অবৈধভাৱে ভূমি দখলৰ অভিযোগ আনি জয়ন্ত বৰাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। এজাহাৰত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ সৈতে লগলাগি মধ্যস্থতাকাৰীৰ জৰিয়তে ৰাজহ বিভাগৰ তথ্য-পাতি নষ্ট কৰি ভুৱা নথি-পত্ৰ দাখিল কৰি ভূমি দখল কৰাৰ অভিযোগ আনিছিল। ভুৱা নথিৰে মাটি দখল কৰাই নহয়, সেই মাটিত জয়ন্ত বৰাৰ বিৰুদ্ধে নিৰ্মাণৰ কাম কৰাৰো অভিযোগ আছে। ক্ষমতাৰ অপব্যৱহাৰ কৰি যাৰ নামত ভূমি ম্যাদী হৈ আছিল সেই লোকৰ নাম আঁতৰাই অন্য লোকৰ নাম অন্তৰ্ভুক্ত কৰিছিল। ২০২১ চনত ভূ-মাফিয়াৰ বিৰুদ্ধে বিজেপি চৰকাৰে চলোৱাৰ অভিযানৰ সময়ত খোদ বিজেপিৰ নেতা হোৱাৰ পিছতো জয়ন্ত বৰাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। বিজেপিয়ে টিকট নিদিয়া সেইগৰাকী জয়ন্ত বৰাক হঠাতে কংগ্ৰেছে বুকুৰ আপোন কৰি লৈ টিকট প্ৰদান কৰিব খোজাৰ পিছতে বিশ্বনাথ জিলা কংগ্ৰেছে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। সংবাদমেল আয়োজন কৰি জিলা কংগ্ৰেছৰ নেতাসকলে মুণ্ডন পৰ্যন্ত কৰিব বুলি ঘোষণা কৰিছিল। কিন্তু সেই সকলোবোৰ প্ৰতিবাদ, আপত্তি নেওচি আজি নিশাৰ ভাগত কংগ্ৰেছে জয়ন্ত বৰাক টিকট প্ৰদান কৰাৰ পিছত কাইলৈ সমষ্টিটোত কংগ্ৰেছ দলৰ ভিতৰচ'ৰাৰ লগতে সন্মিলিত মৰ্চাৰ দলসমূহৰ মাজত অস্থিৰ নাটক চলাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। উল্লেখ্য যে, আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ দিল্লীৰ পৰা পুৱাই এখন পত্ৰ আহিছিল। এই পত্ৰ লাভ কৰাৰ পাছতে ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদ ত্যাগ কৰিছিল। সেই পত্ৰতে বিহালীত জয়ন্ত বৰাই টিকট পাব বুলি একপ্ৰকাৰ ইংগিত প্ৰদান কৰিছিল নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অসমৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙে। পত্ৰযোগে জিতেন্দ্ৰ সিঙে বিহালীৰ চিপিআইএমএলে প্ৰাৰ্থী কৰিব খোজা বিবেক দাসে বাৰে বাৰে নিৰ্বাচনত পৰাজিত হোৱাৰ তথ্য উল্লেখ কৰি বিবেক দাস শক্তিশালী প্ৰাৰ্থী নহয় বুলি দাবী কৰিছিল। জিতেন্দ্ৰ সিঙে পত্ৰ যোগে চিপিআইএমএলক বিবেক দাসৰ সলনি অন্য নেতাক প্ৰাৰ্থী কৰিব লাগে বুলি ভূপেন বৰাক জোৰ দিছিল। ৰাষ্ট্ৰীয় নেতা তথা অসমৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ এনে কথাক সহজে ল'ব নোৱাৰি ভূপেন বৰাই বিৰোধী ঐক্য মঞ্চ অসমৰ সভাপতি পদ ত্যাগ কৰা বুলি চৰ্চা চলিছে। জিতেন্দ্ৰ সিঙে কৈছিল যে প্ৰাৰ্থী বাছনি কোটাৰ ভিত্তিত হোৱাতকৈ যোগ্যতাৰ আধাৰত হ'ব লাগে। সৰ্বভাৰতীয় কংগ্ৰেছে মিত্ৰদলৰ বাবে প্ৰয়োজন অনুসৰি আসন এৰিবলৈ সাজু কিন্তু প্ৰাৰ্থীগৰাকী শক্তিশালী প্ৰাৰ্থী হ'ব লাগে। জিতেন্দ্ৰ সিঙে কয় যে মই যেতিয়া আলোচনা কৰিছিলো তেতিয়া বিবেক দাসে কেইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল সেই কথা উল্লেখ কৰিছিলো। দাসে ২০০৬, ২০১১, ২০১৬ চনত সেই সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি মাত্ৰ ৮-১২ হাজাৰ ভোট লাভ কৰিছিল আৰু আমানতৰ ধন পৰ্যন্ত বাজেয়াপ্ত হৈছিল। কিন্তু ২০২১ চনত যেতিয়া কংগ্ৰেছৰে মিত্ৰতা হোৱাত বিহালী চিপিআইএমএলক এৰি দিছিল তেতিয়া ২১ হাজাৰ ভোট লাভ কৰি বিবেক দাস তৃতীয় স্থানত আছিল। পত্ৰত এনে তথ্য উল্লেখ কৰি জিতেন্দ্ৰ সিঙে আৰু কয় যে এলায়েন্সৰ সহযোগী দলসমূহে সন্মত হৈছিল যে চিপিআইএমএল প্ৰাৰ্থী দুৰ্বল। মই অসম সন্মিলিত মৰ্চাৰ সদস্যসকলক যোগ্য প্ৰাৰ্থী বাছনি কৰি যোগ্যতাৰ ভিত্তিত ন্যায়সংগত সিদ্ধান্ত ল'বলৈ কৈছিলো। চিপিআইএমএল, এজেপি, ৰাইজৰ দলক প্ৰাৰ্থী সলনি কৰিবলৈ অনুৰোধ জনাইছিলো। যোগ্যতা আৰু জয় হ'ব পৰা প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে কংগ্ৰেছৰ সম্পূৰ্ণ সমৰ্থন থাকিব বুলি কোৱা হৈছিল বুলিও কয় সিঙে। লগতে ৰাহুল গান্ধীৰ প্ৰসংগ টানি আনি জিতেন্দ্ৰ সিঙে কয় যে ৰাহুল গান্ধীয়ে সদায় সম-মনোভাপন্ন দলৰ কাষ চাপে। জনবিৰোধী আৰু বিজেপিৰ দৰে দেশবিৰোধী দলৰ বিৰুদ্ধে যুঁজ দিবলৈ একত্ৰিত হ'ব লাগে। সৰ্বশ্ৰেষ্ঠ আৰু শক্তিশালী প্ৰাৰ্থী থিয় কৰোৱাৰ প্ৰয়াস কৰিব লাগে। পত্ৰযোগে ভূপেন বৰাক পুনৰ অনুৰোধ জনাই জিতেন্দ্ৰ সিঙে কয় যে বিহালীৰ উপ-নিৰ্বাচনত যুটীয়াভাৱে এজন শক্তিশালী প্ৰাৰ্থী দিবলৈ পুনৰ সন্মিলিত মৰ্চাৰ সদস্যসকলক কোৱা হওক। কিন্তু এই পত্ৰৰ এটা বিন্দু এতিয়া চৰ্চাত। বিগত নিৰ্বাচনত বিহালী সমষ্টিত কংগ্ৰেছৰ সহযোগত প্ৰতিদ্বন্দ্বিতা কৰিছিল বিবেক দাস। সেইবাৰ বিবেক দাসে বিগত ছয়বাৰ নিৰ্বাচন খেলাতকৈ বহু বেছি ভোট লাভ কৰিছিল। বিবেক দাসে ২৩ হাজাৰ ভোট লাভ কৰিছিল। আনহাতে জয়ন্ত বৰাই নিৰ্দলীয় হিচাপে খেলি লাভ কৰিছিল ২৪ হাজাৰ ভোট। এই পত্ৰযোগে বিবেক দাসে লাভ কৰা ভোটৰ সংখ্যা উল্লেখ কৰি দাসতকৈ জয়ন্ত বৰা ভোটৰ হিচাপেৰে অধিক যোগ্য বুলিও একপ্ৰকাৰ সন্মিলিত মৰ্চাক বুজাই দিবলৈ চেষ্টা কৰিছে জিতেন্দ্ৰ সিঙে। বিগত নিৰ্বাচনত লাভ কৰা ভোটৰ সংখ্যাৰ হিচাপৰ লগতে আন একাধিক গোপন অংক আৰু সমীকৰণেৰেই অৱশেষত ২৩ অক্টোবৰৰ শেষ নিশাৰ খেলত ওস্তাদ হৈ পৰিছে জয়ন্ত বৰা। দিল্লীলৈ হাত মেলি প্ৰাৰ্থিত্ব লাভৰ পিছত এতিয়া কাইলৈৰ পৰা সমষ্টিটোৰ অসন্তুষ্ট শিবিৰসমূহক জয়ন্ত বৰাই বশীকৰণ কৰিব পাৰে নে নোৱাৰে তাৰ ওপৰতে নিৰ্ভৰ কৰিব ২৩ নৱেম্বৰত তেওঁৰ জয়-পৰাজয়। উল্লেখ্য যে, সমষ্টিটোত বিজেপিতো প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত চলা দেখা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুৰা, সমাজ আৰু চৰকাৰ

লিখা নাথাকে জানো? সুৰাসেৱন কৰি দেখোন মানুহবোৰে উস্তাওালি কৰে? তেন্তে সুৰা কিয় ক্ষতিকাৰক নহ'ব? কথাটো সঁচা, ভাৰতত সুৰা মানে মদিৰা অতীজৰে পৰা আছে তথাপি সুৰাক লৈ সৰ্বজন গ্ৰহণযোগ্য মতবাদ গঢ় লৈ উঠা নাই। অৱশ্যে এই ক্ষেত্ৰত দেশ আৰু ৰাজ্যৰ চৰকাৰ কিন্তু ব্যতিক্ৰম। সংখ্যাগৰিষ্ঠ সমাজে সুৰা বেয়া বুলি অভিহিত কৰিলেও চৰকাৰে এই ক্ষেত্ৰত আপোচ কৰা নাই, সেয়েহে আজি সুৰা তেনেই সহজলভ্য দ্ৰব্য হৈ পৰিছে।

বিগত ফেব্ৰুৱাৰী মাহৰ বাজেট অধিৱেশনত তদানীন্তন মন্ত্ৰী পৰিমল শুক্লবৈদ্যই অসম বিধানসভাত দিয়া তথ্য অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত সুৰা বিক্ৰীৰ জৰিয়তে চৰকাৰে ৩,৮১৬ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। কংগ্ৰেছী বিধায়ক ৰেকিবুদ্দিন আহমেদৰ প্ৰশ্নৰ উত্তৰত শুক্লবৈদ্যই লগতে জনাইছিল যে ৰাজ্যত ৩,০০৩ খন সুৰাৰ বিপণী আছে, ইয়াৰে ১,৭০৭খন বিদেশী সুৰাৰ দোকান, ৯২৩খন পাব (বাৰ-ৰেষ্টোৰা জাতীয়) আৰু ৩৭৩খন দেশীয় সুৰাৰ দোকান আছে। গতিকে মন কৰিব যে সুৰা বিক্ৰী কৰিবলৈ দিয়াৰ ক্ষেত্ৰত চৰকাৰে কেতিয়াও কৃপণালি কৰা নাই।

উৎসৱৰ সময়ত সুৰাপান বা সুৰা বিক্ৰীৰ বাতৰিটো অসমৰ সংবাদ মাধ্যমত তেনেই সুলভ। সুৰাপান বিক্ৰীৰ অভিলেখৰ কথাটো প্ৰশাসনৰ ৰাজহ বিভাগৰ বাবেও গৌৰৱৰ কথা। দুৰ্গা পূজাৰ পৰা আৰম্ভ কৰি দিপাৱলী, ৰাস পূৰ্ণিমা, হেপ্পী নিউ ইয়েৰ হৈ একেবাৰে মাঘ-ব'হাগ পৰ্যন্ত সুৰা বিক্ৰী তথা সুৰাৰ আনন্দত পাৰ্টী পূৰ্ণদ্যমে চলে। এই প্ৰক্ৰিয়াত পথ দুৰ্ঘটনাৰ বাতৰি, সামাজিক উচ্ছৃংখলতা আদি কথাবোৰ বাতৰি হিচাপে প্ৰকাশ হৈ থাকে আৰু লগতে দেখা যায় সুৰা বিক্ৰীৰ অভিলেখৰ পৰিমাণ। অলপতে সামাজিক মাধ্যমত ৰাজ্যৰ অৰ্থনীতি বেয়া বুলি এটা চৰ্চা চলা দেখা গৈছে। কোনোবা এজনে ধনৰ অভাৱত অসমীয়া চিনেমা চাব নোৱাৰাৰ কথা উল্লেখ কৰাত কথাটো ৰাজ্য হৈ পৰিছে। ইয়াৰ সমান্তৰালকৈ ৰাজ্যৰ বজাৰত উপলব্ধ নিত্য আৱশ্যকীয় সেউজীয়া শাক-পাচলি তথা খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি বা এই মূল্যবৃদ্ধিত কোনো লেকাম নথকা কথাটোত বহুতকে চিন্তিত হোৱা দেখা যায়। অৱশ্যে বজাৰত জুই জ্বলি থাকিলেও বজাৰত সামগ্ৰী উভৈনদী, শাক-পাচলিৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰী, বিদেশী পেকেট খাদ্যকে যদি সকলো বস্তু উভৈনদী। একে সময়তে গ্ৰাহকৰো ভিৰ কম হোৱা দেখা পোৱা নাযায়। অত্যাধিক মূল্যবৃদ্ধিয়ে জনতাক কোঙা কৰাৰ সময়ত কেইবালাখ টকীয়া একাধিক দুৰ্গা পূজা পেণ্ডেল, ৰাস পেণ্ডেল, বিহু পেণ্ডেলে আকৌ অন্য এক অৰ্থনীতিৰ বাৰ্তা প্ৰেৰণ কৰিছে। সময়ে সময়ে প্ৰকাশিত কেতবোৰ প্ৰতিবেদনে অৱশ্যে দেশত বৃদ্ধি পোৱা ধনী-দুখীয়াৰ ব্যৱধান, বৃহৎ পৰিমাণৰ সম্পদ মুষ্টিমেয় লোকৰ হাতলৈ যোৱাৰ তথ্য প্ৰকাশ কৰি আহিছে।

এতিয়া পুনৰাই মূল কথাটোলৈ আহিছোঁ। সুৰা বিপণীৰ অনুমোদন তথা সুৰা বিক্ৰী প্ৰতিৰোধ কৰা সহজ নহয়। অসম আন্দোলনৰ ফচল অসম গণ পৰিষদে গঠন কৰা চৰকাৰৰ দিনতে সুৰা বিক্ৰীৰ জৰিয়তে বৃহৎ ৰাজহ সংগ্ৰহ কৰা সহজ নীতি (ফৰ্মুলা) আৰম্ভ হৈছিল। পাছলৈ সুৰা আৰু ৰাজহ প্ৰতিখন চৰকাৰে গ্ৰহণ কৰি আহিছে। অৱশ্যে গোলকীকৰণ আৰু আধুনিকতাৰ ধামখুমীয়াত সুৰা অপৰিহাৰ্য হৈ পৰিছে। জনসাধাৰণৰ একাংশৰ বাবে জীৱন ব্যস্ততাক দূৰ কৰিবলৈ আৰু অবাধ ধনৰ আমদানিক পূৰ্ণতা দিবলৈ সুৰা বিলাসো সমানেই প্ৰয়োজনীয়। স্মাৰ্ট চহৰ বা মেট্ৰ'পলিটান চহৰ হ'বলৈ প্ৰতিযোগিতাত নমা অসমৰ নগৰ-চহৰ-মহানগৰত সুৰাৰ আমদানি কাহানিও বন্ধ নহয়। অসমৰ দৰে জনজাতীয় প্ৰধান ৰাজ্যত সুৰাৰ বিপক্ষে কথা কোৱাটোও যেন ক'ৰবাত ক'ৰবাত অপৰাধ। অৱশ্যে সুৰা (মদিৰা) আখ্যান আমাৰ পৌৰাণিক গ্ৰন্থবোৰতো আছে। ইন্দ্ৰৰ ৰাজসভাত সুৰাৰ ব্যৱহাৰ আৰু অপ্সৰা-নৰ্তকীৰ কথা বাৰু কোনজন শিক্ষিতে নাজানে। বস্তুবাদী চিন্তাত পৰিচালিত বৰ্তমানৰ সমাজতো কথাবোৰ একেই আছে। গতিকে এনে প্ৰেক্ষাপটত সমাজ সংস্কাৰৰ কিবা উপায় আছেনে?

অসমত এতিয়া প্ৰতিটো উৎসৱেই কিয় প্ৰতিদিনেই সুৰাৰ অধাধ ব্যৱহাৰ আৰু তাৰ লগতে সামাজিক বিশৃংখলতাৰ পয়োভৰ। দুৰ্ঘটনা, কাজিয়া, ধৰ্ষণ, ডকাইতি আদি সুৰাৰ কুপ্ৰভাৱ। এনে প্ৰেক্ষাপটত চৰকাৰৰ কৰণীয় অনেক। বিশেষত আৰক্ষী-প্ৰশাসন এই ক্ষেত্ৰত অধিক কঠোৰ হৈ অপৰাধীৰ (সুৰাৰ সৈতে জড়িত) বাবে ক্ষমাহীন ব্যৱস্থা প্ৰবৰ্তন কৰিব লাগিব। মদ খাই গাড়ী-মটৰ চলোৱা লোকক অধিক জৰিমনা বা আটক কৰি থোৱা, ৰাজহুৱা স্থানত সুৰা গ্ৰহণ কৰা অৱস্থাত তেনে লোকক ধৰা পেলোৱা, উৎসৱৰ পৰিৱেশত সুৰা গ্ৰহণ কৰি থকা আড্ডাত চকু দিয়া আদি ব্যৱস্থা গ্ৰহণে পৰিৱেশ অধিক উন্নত কৰিব। মানুহে মদ খাওক, আপত্তি নাই কিন্তু সেয়া তেওঁলোকে সুন্দৰকৈ চাৰিবেৰৰ সুৰক্ষিত স্থানত খাওক আৰু জীৱন উপভোগ কৰক।

**(লেখকৰ ফোনঃ ৯৮৯৯৬৬০৫৮২)**

# হাৰিয়ানাৰ পৰা শিক্ষা লৈ মহাৰাষ্ট্ৰত মহাবিকাশ আঘাড়ীৰ আসনৰ বুজাবুজি চূড়ান্ত

**মুম্বাই, ২৩ অক্টোবৰঃ** মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত চূড়ান্ত হৈছে মহাবিকাশ আঘাড়ীৰ দলসমূহৰ মাজত আসনৰ ভাগ-বতৰা। বুধবাৰে কংগ্ৰেছ, এনচিপি (শৰদ পাৱাৰ ফৈদ) আৰু শিৱসেনা (উদ্ধৱ থাকৰে ফৈদ)ৰ মাজত অনুষ্ঠিত বৈঠকৰ পিছতে সম্পন্ন হয় আসনৰ বিতৰণ। সেই অনুসৰি এই তিনিওটা দলে ৰাজ্যখনত ৮৫খনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লোৱাৰ বিপৰীতে বাকী ১৮ খন আসন এৰি দিয়া হৈছে সমাজবাদী পাৰ্টি, স্বাভিমানী পাৰ্টি আৰু চিপিআইএম আদিৰ দৰে মিত্ৰজোঁটৰ আঞ্চলিক দলসমূহক। উল্লেখ্য যে, মহাৰাষ্ট্ৰৰ ২৮৮ খন বিধানসভা আসনৰ বাবে অহা ২০ নৱেম্বৰত একক পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মঙলবাৰে অনুষ্ঠিত আলোচনাত আসন ভাগ-বতৰা সন্দৰ্ভত সহমতত উপনীত হোৱাৰ বিষয়ে জানিবলৈ দিয়ে শিৱসেনা উদ্ধৱ ফৈদৰ নেতা সঞ্জয় ৰাউতে। তেওঁ লগতে উল্লেখ কৰে যে মিত্ৰশক্তিৰ মাজত এতিয়া আৰু কোনো ধৰণৰ বৈঠক অনুষ্ঠিত নহয়। অৱশ্যে তেওঁ এই কথাও স্পষ্ট কৰে যে আসনৰ ভাগ-বতৰা এতিয়াও পৰিৱৰ্তনশীল হ'ব পাৰে, কিয়নো কোনটো দলৰ প্ৰাৰ্থীয়ে কোনখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া এতিয়াও আলোচনা হোৱা নাই। ৰাউতে কয়, "মহা বিকাশ আঘাড়ীৰ অধীনত আমি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। আমি আকৌ এবাৰ মহাৰাষ্ট্ৰত চৰকাৰ গঠন কৰিম।" ইফালে বুধবাৰে শিৱসেনাই ৬৫খন আসনৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। সেই অনুসৰি এইবাৰ ৱাৰ্লিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব উদ্ধৱ থাকৰেৰ পুত্ৰ আদিত্য থাকৰেয়ে, আনহাতে বৰুণ দেশাইয়ে বান্দ্ৰা ইষ্টৰ পৰা টিকট লাভ কৰিছে। থানেৰ পৰা ৰাজন বিচাৰে আৰু কোপৰি পচাপখাড়ী আসনৰ পৰা মুখ্যমন্ত্ৰী একনাথ শিণ্ডেৰ বিৰুদ্ধে কেদাৰ দিঘেক টিকট দিয়া হৈছে। প্ৰণিধানযোগ্য যে, ২৮৮ খন আসন থকা মহাৰাষ্ট্ৰৰ চৰকাৰ গঠনৰ বাবে মেজিক নাম্বাৰ হৈছে ১৪৫খন। বৰ্তমানৰ বিধানসভাত বিজেপিৰ ১০৩ জন বিধায়ক, শিৱসেনাৰ ৩৭ জন আৰু এনচিপিৰ ৩৯ জন বিধায়ক আছে। ২০১৯ চনত মহাৰাষ্ট্ৰত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনৰ পিছত একেলগে চৰকাৰ গঠন কৰিছিল বিজেপি আৰু শিৱসেনাই। কিন্তু মুখ্যমন্ত্ৰী পদক লৈ সৃষ্টি হোৱা বিবাদৰ পৰিপ্ৰেক্ষিতত চৰকাৰ গঠনৰ কিছুদিন পিছতে শিৱসেনাই বিজেপিৰ সৈতে মিত্ৰতা ত্যাগ কৰি এনচিপি আৰু কংগ্ৰেছৰ সৈতে মিলি চৰকাৰ গঠন কৰে। কিন্তু ৰাজনৈতিক অস্থিৰতাত এনচিপি আৰু শিৱসেনাৰ বহু বিধায়কে দলক দুভাগ কৰি পুনৰ বিজেপিৰ সৈতে চামিল হোৱাত উদ্ধৱ থাকৰে চৰকাৰৰ পতন ঘটে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩৬ টা ৰাজহ চক্ৰৰ কাৰ্যালয়

আৰম্ভ হৈছে। কোনো কাৰণতে এনে হঠকাৰী সিদ্ধান্ত মানি নোলোৱাৰ হুংকাৰ দি আজি কেইবা ঠাইত প্ৰতিবাদ সাব্যস্ত কৰিছে জাতীয় দল-সংগঠনে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰম্ভ কৰিছে দল-সংগঠনে। চাপৰ ঐতিহ্য ৰক্ষা সমিতিয়ে চৰকাৰৰ এই সিদ্ধান্তত তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি কয় যে চাপৰবাসীয়ে কেতিয়াও এই সিদ্ধান্ত মানি নলয়। অহা শুকুবাৰৰ পৰা নেৰানেপেৰা আন্দোলন গঢ়ি তোলা হ'ব। গোগামুখত প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম ছাত্ৰ সন্থাই কেতিয়াও গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত মানি নলও বুলি হুংকাৰ দি প্ৰায় ২০০ খন গাঁৱৰ মানুহ উলিয়াই আনি প্ৰতিবাদ কৰি যোৱাৰ হুংকাৰ দিয়ে গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাই। আনহাতে ৰাইজৰ দলৰ মুৰব্বী তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে কাৰ্যালয়সমূহ বন্ধ হ'ব নালাগে বুলি কয়। বন্ধ হ'বলগীয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়সমূহ সমজিলাৰ কাৰ্যালয়ৰ সৈতে সংলগ্ন কৰা হ'ব বুলি খবৰ প্ৰকাশ পাইছে। এই খবৰ ৰাজহুৱা হোৱাৰ লগে লগে ৰাজ্যজুৰি আৰম্ভ হৈছে তীব্ৰ প্ৰতিবাদ। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী, ছয়গাঁও, নগৰবেৰা, ছমৰীয়া ৰাজহ চক্ৰৰ কাৰ্যালয়, কামৰূপ মহানগৰ জিলাত ছমৰীয়া ৰাজহ চক্ৰৰ কাৰ্যালয়, মৰিগাঁও জিলাৰ মিকিৰভেটা, ভুৰগাঁও ৰাজহ চক্ৰৰ কাৰ্যালয়, নলবাৰী জিলাৰ ঘগ্ৰাপাৰ, পশ্চিম নলবাৰী, বৰভাগ, বানেকুছি ৰাজহ চক্ৰৰ কাৰ্যালয়, দৰং জিলাৰ পাথৰিঘাট, পুব মঙলদৈ ৰাজহ চক্ৰৰ কাৰ্যালয়, বঙাইগাঁও জিলাৰ দাংতল, মাণিকপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়, বিশ্বনাথ জিলাৰ হেলেম ৰাজহ চক্ৰৰ কাৰ্যালয়, চৰাইদেউ জিলাৰ সাপেখাটি ৰাজহ চক্ৰৰ কাৰ্যালয়, ধেমাজি জিলাৰ গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়, ধুবুৰী জিলাৰ আগমণি, চাপৰ ৰাজহ চক্ৰৰ কাৰ্যালয়, ডিব্ৰুগড় জিলাৰ ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ কাৰ্যালয়, গোৱালপাৰাত ৰংজুলি ৰাজহ চক্ৰৰ কাৰ্যালয়, গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ কাৰ্যালয়, হাইলাকান্দি জিলাৰ আলগাপুৰ, লালা ৰাজহ চক্ৰৰ কাৰ্যালয়, যোৰহাট জিলাৰ যোৰহাট পশ্চিম ৰাজহ চক্ৰৰ কাৰ্যালয়, কৰিমগঞ্জ জিলাৰ বদৰপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়, লখিমপুৰ জিলাৰ কদম, সোৱণশিৰি ৰাজহ চক্ৰৰ কাৰ্যালয়, মাজুলী জিলাৰ উজনি মাজুলী ৰাজহ চক্ৰৰ কাৰ্যালয়, শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহ চক্ৰৰ কাৰ্যালয়, দক্ষিণ শালমাৰাৰ মানকাছৰ, দক্ষিণ শালমাৰা ৰাজহ চক্ৰৰ কাৰ্যাল, বজালী জিলাৰ সৰুপেটা ৰাজহ চক্ৰৰ কাৰ্যালয়, বৰপেটা জিলাৰ বাঘবৰ আৰু সৰ্থেবাৰী ৰাজহ চক্ৰৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত লৈছে চৰকাৰে। আনহাতে, এই খবৰক ভুৱা খবৰ আখ্যা দিছে ৰাজহ মন্ত্ৰী যোগেন মহনে। এটা সংবাদ প্ৰতিষ্ঠানত দিয়া মন্তব্যত মন্ত্ৰী যোগেন মহনে কয় যে ছ'চিয়েল মিডিয়াত ভুৱা খবৰ ওলাইছে। আমি মিছন বসুন্ধৰা তৃতীয় সংস্কৰণ আঁচনি উদ্বোধন কৰিলো। ডিচেম্বৰলৈ কোনো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধ নহয়। ডিচেম্বৰলৈ কাৰ্যালয়সমূহ যেনেদৰে চলি আছে তেনেকৈ চলি থাকিব। সমজিলা গঠন হোৱা কাৰ্যালয়ত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় থাকিব। কিন্তু আমি ডিচেম্বৰলৈ চাৰ্কোল অফিচ নাইকিয়া হৈ যাব বুলি কোনো সিদ্ধান্ত লোৱা নাই। স্মৰ্তব্য যে, পাকে-প্ৰকাৰে ৰাজহ চক্ৰৰ কাৰ্যালয়সমূহ বন্ধ হ'ব বুলি উল্লেখ কৰিছে মন্ত্ৰী মহনে। এতিয়া নহয়, কিন্তু জানুৱাৰীৰ পাছত বন্ধ কৰিব বুলি একপ্ৰকাৰ ইংগিত দিয়ে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীৰ মন্তব্যৰ পিছতো অৱশ্যে ৰাজ্যবাসী আশ্বস্ত হ'ব পৰা নাই বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্ৰিকছৰ মঞ্চত ৫ বছৰৰ

চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙ। বুধাবাৰে সন্মিলনৰ দ্বিতীয় দিনটোত অনুষ্ঠিত হোৱা ৰুদ্ধদ্বাৰ পূৰ্ণাংগ বৈঠকৰ পিছতে দুয়োখন ৰাষ্ট্ৰৰ নেতাদুগৰাকীৰ মাজত অনুষ্ঠিত হয় দ্বিপাক্ষিক বৈঠক। মোদীয়ে বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে এই বৈঠকত ৰাষ্ট্ৰ দুখনৰ দ্বিপাক্ষিক বিষয়সমূহৰ ওপৰত আলোচনা চলে। সমান্তৰালভাৱে শান্তি আৰু স্থিতিশীলতাৰ প্ৰয়োজনীয়তা পুনৰবাৰ উল্লেখ কৰি মোদীয়ে কয়, "এল এ চিৰ ওপৰত শান্তি আৰু স্থিতিশীলতা আমাৰ অগ্ৰাধিকাৰ। মই নিশ্চিত যে ভৱিষ্যতেও আমি মুকলি মনৰে আলোচনা কৰিম, আৰু আমাৰ আলোচনা গঠনমূলক হ'ব।" প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ কয়, "আমি ৫ বছৰৰ পিছত আনুষ্ঠানিকভাৱে বৈঠকত মিলিত হৈছো। বিগত ৪ বছৰত সীমান্তত উদ্ভৱ হোৱা সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আমি সহমতক আদৰণি জনাইছো। সীমান্তত শান্তি আৰু স্থিতিশীলতা বজাই ৰখাটো আমাৰ অগ্ৰাধিকাৰ হ'ব লাগে।" একে সময়তে জিনপিঙে ভাৰত-চীনৰ স্বাভাৱিক সম্পৰ্ক বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, "দুয়োখন দেশে নিজৰ মতানৈক্য সঠিকভাৱে চম্ভালিব লাগে। ভাৰত আৰু চীনে ইজনে সিজনৰ সৈতে একেলগে কাম কৰি নিজৰ সম্পৰ্ক স্বাভাৱিক কৰিব লাগে। তেতিয়াহে দুয়োখন দেশে নিজৰ উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পাৰিব।" জিনপিঙে আলোচনা আৰু সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি কয়, "দুয়ো পক্ষৰ বাবে অধিক যোগাযোগ আৰু সহযোগিতা আগবঢ়োৱা, আমাৰ মতানৈক্য আৰু অসহমতসমূহ উপযুক্তভাৱে চম্ভালিব পৰাটো গুৰুত্বপূৰ্ণ, আৰু ইজনে সিজনৰ উন্নয়নৰ আকাংক্ষা পূৰণৰ সুবিধা প্ৰদান কৰাটো গুৰুত্বপূৰ্ণ।" উল্লেখ্য যে, ২০১৯ চনৰ পিছত এয়া হৈছে মোদী আৰু জিনপিঙৰ মাজত হোৱা প্ৰথম দ্বিপাক্ষিক বৈঠক। জিনপিঙৰ সৈতে হোৱা বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে এক্স প্লেটফৰ্মত তেওঁলোকৰ বৈঠকৰ ছবি শ্বেয়াৰ কৰে। মোদীয়ে লিখিছে, "কাজানত চলি থকা ব্ৰিকছ সন্মিলনৰ আঁৰত চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙক সাক্ষাৎ কৰো। ভাৰত আৰু চীনৰ মাজত সুসম্পৰ্ক আমাৰ বাবে গুৰুত্বপূৰ্ণ, যিবোৰ আঞ্চলিক আৰু বিশ্ব পৰ্যায়ত শান্তি আৰু স্থিতিশীলতাৰ বাবেও গুৰুত্বপূৰ্ণ। পাৰস্পৰিক আস্থা, সন্মান আৰু পাৰস্পৰিক সংবেদনশীলতাই আমাৰ দ্বিপাক্ষিক সম্পৰ্কক পথ প্ৰদৰ্শন কৰি থাকিব।" ইফালে ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত কয় যে এই গুৰুত্বপূৰ্ণ বৈঠক ৫ বছৰৰ পিছত অনুষ্ঠিত হৈছে। দুয়োগৰাকী নেতাই প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল দিয়াৰ চুক্তিক আদৰণি জনায়। মিশ্ৰীয়ে কয় যে ভাৰত আৰু চীনৰ সমস্যা সমাধানৰ বাবে বিশেষ প্ৰতিনিধি নিযুক্তি দিয়া হৈছে। ভাৰতীয় পক্ষৰ পৰা এন এছ এ অজিত ডোভাল আৰু চীনৰ পৰা বৈদেশিক মন্ত্ৰী ৱাং য়ীয়ে এই বিষয়সমূহ সমাধান কৰিব আৰু দুয়োজনে অতি সোনকালে আনুষ্ঠানিক বৈঠকত মিলিত হ'ব। উল্লেখ্য যে, ২০২০ চনত গালৱান সংঘৰ্ষৰ পিছত উত্তেজনাপূৰ্ণ হৈ পৰিছিল দুয়োখন দেশৰ সম্পৰ্ক। প্ৰধানমন্ত্ৰী ৰাছিয়া ভ্ৰমণৰ পূৰ্বে এল এ চিৰ ওপৰত উত্তেজনা হ্ৰাস কৰিবলৈ দুয়োখন দেশে এক গুৰুত্বপূৰ্ণ চুক্তিত সন্মতি প্ৰকাশ কৰিছে। ইয়াৰ অধীনত ভাৰতীয় সেনাই পুব লাডাখৰ ২ পইণ্ট - দেপছাং আৰু ডেমচোকৰ পৰা পিছুৱাই যাব পাৰিব। ইয়াৰ লগে লগে ভাৰতীয় জোৱানসকলে এই স্থানসমূহত টহল দিব পাৰিব, যিটো বিবাদৰ বাবে আগতে সম্ভৱ নাছিল। এল এ চিৰ ওপৰত উত্তেজনা হ্ৰাস কৰাৰ বাবে ২১ ৰাউণ্ডৰ কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছে।

# খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ মাতৃৰ বিয়োগ

**ই-সংবাদ, খুমটাই, ২৩ আক্টোবৰঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সভাপতি, অসম আন্দোলনৰ কাণ্ডাৰী, শিক্ষক প্ৰয়াত গংগাধৰ শইকীয়াৰ সহধৰ্মীনি, খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ মাতৃ প্ৰাক্তন শিক্ষয়িত্ৰী খৰ্গেশ্বৰী শইকীয়াই বাধক্যজনিত কাৰণত যোৱা নিশা ১১.৩০ বজাত নিজা বাসগৃহ মেলামৰত ৮৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ আঞ্চলটোত শোকৰ ছাঁ পৰে। মেলমৰা নামঘৰ পৰিচালনা সমিতিয়ে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গোলাঘাট জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, সাংবাদিক সন্থা, ছাত্ৰ সন্থা, মেলামৰা মৌহখোৰৰ মুছলিম জামাত, গঙা বৰফলং বাগিচাৰ মছদুৰ সংঘ, কেওঁট জাতীয় পৰিষদ, সংগ্ৰামী সতীৰ্থ মঞ্চকে আদি কৰি অগণন গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাওনা বিচাৰি হুৰমূৰকৈ আহিছে

ভাৰতৰ উত্তৰ-পূব অঞ্চললৈ গতি কৰা এই ঘূৰ্ণীক লৈ সন্ত্ৰস্ত হৈ পৰিছে দুই ৰাজ্যৰ চৰকাৰ। বিতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা আগজাননী অনুসৰি দুই-এদিনৰ ভিতৰতে এই বিধ্বংসী ঘূৰ্ণীয়ে আঘাত কৰিব ওড়িশা আৰু পশ্চিমবংগৰ উপকূলীয় অঞ্চলত। এই ঘূৰ্ণীৰ প্ৰভাৱ পৰিব অসম তথা উত্তৰ-পূৱতো। ডেনাৰ সংহাৰৰ আশংকাত পুৰী, দীঘা, বকখালীৰ দৰে উপকূলীয় পৰ্যটনস্থলীসমূহত ব্যাপক সতৰ্কতা অবলম্বন কৰা হৈছে। ওড়িশা চৰকাৰে ৰাজ্যখনৰ সৰ্বত্ৰে হাই এলাৰ্ট জাৰি কৰি ইতিমধ্যে যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ২৮৮টা উদ্ধাৰকাৰী দল সাজু কৰি ৰাখিছে। একেদৰে বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও সাগৰৰ পাৰৰ বাসিন্দাসকলক সাৱধানে থাকিবলৈ পৰামৰ্শ দিছে। ওড়িশা চৰকাৰে পৰ্যটকক দুৰ্যোগ এৰাই চলিবলৈ পুৰী এৰি যাবলৈ পৰামৰ্শ দিছে। অভিযোগ অনুসৰি ৰাজ্য প্ৰশাসনৰ এই বাৰ্তাৰ সুযোগ লৈছে কেইবাটাও ট্ৰেভেল এজেন্সীয়ে। সেই ট্ৰেভেল এজেন্সীবোৰে পুৰী এৰি যাবলৈ হেতাওপৰা লগোৱাসকলৰ পৰা অতিৰিক্ত ধন বিচৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে বংগোপসাগৰৰ ওপৰত গঠন হোৱা নিম্নচাপ মঙলবাৰে পুৱা পূব উপকূলৰ ফালে আগবাঢ়িছে। এই নিম্নচাপে অধিক শক্তি আহৰণৰ ফলত তীব্ৰ ঘূৰ্ণীবতাহত পৰিণত হোৱাৰ সম্ভাৱনা আছে। আই এম ডিয়ে প্ৰকাশ কৰা মতে মঙলবাৰে পুৱা ৫.৩০ বজাত ওড়িশাৰ পাৰাদীপৰ পৰা ৭৩০ কিলোমিটাৰ দক্ষিণ-পূৱত অৱস্থিত এই নিম্নচাপ পশ্চিম-উত্তৰ-পশ্চিম দিশে গতি কৰিছে আৰু ২৩ অক্টোবৰৰ ভিতৰত ঘূৰ্ণীবতাহত পৰিণত হ'ব বুলি ধাৰণা কৰা হৈছে। ডেনাৰ প্ৰভাৱত ইতিমধ্যে পশ্চিমবংগ আৰু ওড়িশাত ধাৰাসাৰ বৰষুণ আৰম্ভ হৈছে। ওড়িশাত ঘূৰ্ণী বতাহৰ প্ৰভাৱৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰি ২৩ অক্টোবৰৰ পৰা ২৫ অক্টোবৰলৈ সকলো বিদ্যালয়, মহাবিদ্যালয় বন্ধ ৰখাৰ ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। পশ্চিম বংগতো ডেনাৰ সম্ভাব্য প্ৰভাৱৰ বাবে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৭ জিলাত ২৩-২৬ অক্টোবৰলৈ বিদ্যালয় বন্ধ কৰাৰ ঘোষণা কৰিছে। উপকূলীয়া অঞ্চলৰ বাসিন্দাসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে, আৰু উপকূলৰক্ষী বাহিনীয়ে হেলিকপ্টাৰ সাজু কৰি ৰাখিছে। ডেনাৰ প্ৰভাৱৰ ফলত পূব ৰে'লৰে শিয়ালদহ ষ্টেচনৰ পৰা বৃহস্পতিবাৰৰ নিশা ৮ বজাৰ পৰা শুকুৰবাৰৰ পুৱা ১০ বজালৈ সকলো লোকেল ট্ৰেনৰ চলাচল বন্ধ কৰা হৈছে। ডেনাৰ সংহাৰৰ প্ৰতি লক্ষ্য ৰাখি ইষ্ট-কোষ্ট ৰে'লৱেয়ে মঙলবাৰে প্ৰথম বুলেটিনত ২৩ অক্টোবৰৰ পৰা ২৬ অক্টোবৰলৈ ৰাজ্যখনৰ মাজেৰে পাৰ হৈ যোৱা প্ৰায় ৮৫ খন উজনিমুৱা আৰু ৯৩ খন নামনিমুৱা ৰে'লৰ চলাচল বাতিল কৰাৰ কথা ঘোষণা কৰে। প্ৰণিধানযোগ্য যে, এই প্ৰচণ্ড ঘূৰ্ণীৰ প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে অসম তথা উত্তৰ-পূৱতো। ডেনাৰ প্ৰভাৱৰ ফলত অসমৰ বিভিন্ন প্ৰান্তত মধ্যমীয়াৰ পৰা তীব্ৰ বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। বুধবাৰেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ঠায়ে ঠায়ে পাতল বৰষুণ আৰু বতৰ ডাৱৰীয়া হৈ থকা দেখা যায়। লগতে গুৱাহাটীকে ধৰি ৰাজ্যত বতৰ ঠাণ্ডাও হৈ পৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঢোলে-ডগৰে মনোনয়ন দাখিল

কংগ্ৰেছৰ হৈ কাম কৰি গ'লেও প্ৰথমবাৰৰ বাবে নিৰ্বাচনী ৰাজনীতিত অভিষেক ঘটিছে প্ৰিয়ংকা গান্ধীৰ। কেৰালাৰ ৱায়ানাড সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কংগ্ৰেছ প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰে প্ৰিয়ংকাই। এই সময়ছোৱাত মাতৃ ছোনীয়া গান্ধী, ভাতৃ তথা ৱায়ানাডৰ প্ৰাক্তন সাংসদ ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে তেওঁক সংগ দিয়ে। ইফালে মনোনয়ন দাখিলৰ পূৰ্বে মাতৃ-ভাতৃক কাষত লৈ ৱায়ানাডত আজি এক 'ৰোড শ্ব' কৰে প্ৰিয়ংকা গান্ধীয়ে। ইয়াৰ পূৰ্বে তেওঁ স্থানীয় কংগ্ৰেছ নেতৃত্বৰ সৈতে এখন বৈঠকতো অংশ লয়। উল্লেখ্য যে, শেহতীয়া লোকসভা নিৰ্বাচনত ৰায়বেৰেলী আৰু ৱায়ানাডৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুয়োটা সমষ্টিতে বিজয় লাভ কৰিছিল ৰাহুল গান্ধীয়ে। ভাতৃৰ এই নিৰ্বাচনী সংগ্ৰামত দুয়োটা সমষ্টিতে সক্ৰিয় ভূমিকা পালন কৰিছিল প্ৰিয়ংকা গান্ধীয়ে। ইফালে জয়লাভৰ পিছত ৰাহুল গান্ধীয়ে ৰায়বেৰেলী সমষ্টিটো ৰাখি ৱায়ানাড সমষ্টিটো এৰি দিবলৈ বাধ্য হোৱাত এই সমষ্টিটোৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। কংগ্ৰেছে সমষ্টিটোৰ বাবে এইবাৰ প্ৰিয়ংকা গান্ধীৰ নাম প্ৰাৰ্থীৰূপে ঘোষণা কৰিছে। লক্ষণীয় যে, উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ সময়ৰ পৰাই প্ৰিয়ংকা গান্ধীক নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ দাবী জনাই আহিছিল কংগ্ৰেছৰ একাংশ সমৰ্থক আৰু নেতা-কৰ্মীয়ে। ২০২৪ৰ লোকসভা নিৰ্বাচনতো আমেঠিৰ পৰা প্ৰিয়ংকাই যুঁজ দিব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰা হৈছিল। কিন্তু সেইবাৰ তেওঁ প্ৰাৰ্থিত্ব লাভ নকৰিলেও এতিয়া উপ-নিৰ্বাচনত ৱায়ানাডৰ পৰা সংসদীয় ক্ষমতাৰ যুঁজত নামিবলৈ সাজু হৈছে গান্ধী পৰিয়ালৰ এইগৰাকী সদস্য। মন কৰিবলগীয়া যে, এইবাৰ ৱায়ানাডত প্ৰিয়ংকাৰ মূল যুঁজখন প্ৰাক্তন বিধায়ক তথা চিপিআইৰ ৰাজ্যিক সহ সম্পাদক সত্যন মোকেৰী আৰু বিজেপি মহিলা মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক নব্যা হৰিদাসৰ বিৰুদ্ধে হ'ব। প্ৰিয়ংকাৰ মনোনয়ন দাখিলৰ পিছতে কংগ্ৰেছ উৎসাহী হৈ পৰিছে। ১৩ নৱেম্বৰত ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পিছত ২৩ নৱেম্বৰত ঘোষণা কৰা হ'ব ফলাফল।



ছিদলী সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ পিছত কংগ্ৰেছৰ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰী, বুধবাৰে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ড্ৰেজাৰৰ অপেক্ষাত মাজুলীবাসী!

থকাৰ পৰিস্থিতি বুজ ল'বলৈ আজি পুৱাৰ ভাগতে নিমাতীঘাটত উপস্থিত হয় জল পৰিবহণ মন্ত্ৰী কেশৱ মহন্ত। নিমাতীঘাটত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে নিমাতীঘাট-কমলাবাৰী পাৰঘাটৰ মাজৰ জলপথত ফেৰী সেৱা বন্ধ হৈ পৰা পৰিস্থিতিক লৈ যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী আৰু আভ্যন্তৰীণ জল পৰিবহণ সঞ্চালক সুস্মিতা কাকতিৰ লগতে বিভাগীয় বিষয়া-অভিযন্তাসকলৰ সৈতে আলোচনাত মিলিত হয়। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিক মাত্ৰাত হ্ৰাস পোৱাৰ লগতে কমলাবাৰী পাৰঘাটৰ দিশত জলপথটিৰ কিছু অংশত নতুনকৈ পৰা বালিচৰৰ বাবে যোৱা ২০ অক্টোবৰৰ পৰা কমলাবাৰী-নিমাতীঘাট জলপথেৰে ফেৰী চলাচল সম্পূৰ্ণ বন্ধ থকা এই জলপথেৰে যথাসম্ভৱ শীঘ্ৰে পুনৰ নিয়মীয়া ফেৰীসেৱা আৰম্ভ কৰিবলৈ লোৱা ব্যৱস্থাৱলীৰ লগতে ফেৰীসেৱা বন্ধ হৈ থকাৰ বাবে পাৰঘাটটিৰে অহা-যোৱা কৰা ৰাইজক সদ্যহতে সন্মুখীন হোৱা অসুবিধাৰ পৰা সকাহ দিয়াৰ বিষয়ে যোৰহাটৰ জিলা আয়ুক্তৰ লগতে বিভাগীয় বিষয়াসকলৰ সৈতে বিতংভাৱে চৰ্চা কৰে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ পাছতেই মন্ত্ৰী কেশৱ মহন্তই নিমাতীঘাটৰ পৰা অফলামুখ পাৰঘাটেৰে মাজুলীৰ কমলাবাৰী পাৰঘাটত উপস্থিত হৈ কমলাবাৰী-নিমাতিঘাট জলপথটো বন্ধ হৈ পৰাৰ অংশ পৰিদৰ্শন কৰে। মাজুলীৰ বিধায়ক ভুবন গাম, মাজুলী জিলাৰ আয়ুক্ত ৰাতুল পাঠক আৰু আভ্যন্তৰীণ জল পৰিৱহণ সঞ্চালক সুস্মিতা কাকতিৰ সৈতে মাজুলী-যোৰহাট সংযোগী জলপথটোৰ কমলাবাৰী পাৰঘাটৰ পৰা দৰবাৰ চাপৰি পৰ্যন্ত অংশৰ তৰাং অৱস্থা স্পীডবোটেৰে নিৰীক্ষণ কৰে। এই অংশত নদীৰ গভীৰতা বৃদ্ধিৰ বাবে ড্ৰেজাৰৰ খননকাৰ্য চলোৱাৰ সৈতে জড়িত কাৰিকৰী দিশকে ধৰি যাৱতীয় দিশসমূহৰ বিষয়েও জিলা আয়ুক্ত, বিভাগীয় সঞ্চালক আৰু অভিযন্তাৰ পৰা বুজ লয় পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে। ব্ৰহ্মপুত্ৰ বাম হৈ বালিচৰ ওলাই পৰি ফেৰী পথ বন্ধ হৈ পৰা অংশ পৰিদৰ্শন কৰি মন্ত্ৰী কেশৱ মহন্তই সাংবাদিকৰ আগত কয় যে বালিচৰ ওলাই ফেৰী পথ বন্ধ হৈ পৰা অংশৰ কামখিনি এক সপ্তাহমানৰ ভিতৰত সম্পূৰ্ণ হ'ব। পুনৰ ফেৰী পথ সুচল হ'ব। তাৰ আগলৈকে যিহেতু এটা ঘাটেৰেই অহা-যোৱা কৰিব লাগিব মাজুলীবাসীয়ে সেই বাবেই অফলামুখ ঘাটত ফেৰী বৃদ্ধি কৰিবলৈ দিছো, যাতে ইয়াৰ মানুহৰ কোনো অসুবিধা নহয় বুলি উল্লেখ কৰে মন্ত্ৰী গৰাকীয়ে। তেওঁ লগতে কয় যে মাজুলীৰ ৰাস, পালনাম সন্মুখত সেই বাবে আমি কটকটীয়া ব্যৱস্থা লৈছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক ইয়ালৈ আহি ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক'লে আমি আজি ইয়ালৈ আহিছো বুলি উল্লেখ কৰে। ব্ৰহ্মপুত্ৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে এইটো গোটেই বস্তুটো প্ৰাকৃতিক বাধা। আমাৰ তৎপৰতাত আমি যিখিনি কৰিব লগা আছে সোনকালে কৰি এক সপ্তাহত পুনৰ ফেৰী চলাচলৰ সুবিধা কৰিম বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে ৰাস আৰু পালনামলৈ কিছুদিন আছে, গতিকে আমাক ইমান দিন নালাগে সোনকালেই ফেৰী সেৱা সুচল হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে কমলাবাৰী-নিমাতীঘাট জলপথৰ স্পৰ্শকাতৰ অংশত জলস্তৰৰ গভীৰতা বৃদ্ধিৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে জৰুৰীভাৱে ডিব্ৰুগড়ৰ পৰা এখন 'ড্ৰেজাৰ' আনি খননকাৰ্য চলোৱাৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে। কমলাবাৰী-নিমাতীঘাট ব্ৰহ্মপুত্ৰৰ জলপথৰ তৰাং অংশ পৰিদৰ্শনৰ সময়ত মন্ত্ৰী কেশৱ মহন্তক মাজুলীৰ বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল পাঠক, আভ্যন্তৰীণ জল পৰিবহণ সঞ্চালক সুস্মিতা কাকতি, মাজুলীৰ অ' বি চি বোৰ্ডৰ অধ্যক্ষ মনোজ বৰা আৰু অসম গণ পৰিষদ যোৰহাট জিলা সমিতিৰ সভাপতি সৌৰভ প্ৰাণ বৰাই সংগ দিয়ে। উল্লেখ্য যে আজি চাৰিটাকৈ দিনে কমলাবাৰী-নিমাতী সংযোগী ফেৰী ঘাটটোৰে চলাচল কৰা যাত্ৰীবাহী ফেৰীসমূহ বন্ধ হৈ আছে। এটা পাৰঘাটৰ ওপৰতেই নিৰ্ভৰ কৰিব লগা হৈছে মাজুলীবাসীয়ে। ফলত যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে জিলাবাসী। 'ড্ৰেজাৰ' আহিলেহে নদী পথ খনন হ'ব, কিন্তু আজি পৰ্যন্ত 'ড্ৰেজাৰ' আহি পোৱা নাই আৰু কোনো খনন কাৰ্য আৰম্ভ হোৱা নাই। সেয়ে এতিয়া মাজুলীবাসীয়ে বিগত কেবাদিনো ধৰি ৰৈ আছে ড্ৰেজাৰৰ অপেক্ষাত।

# কেন্দ্ৰৰ দুৰ্বল আইনৰ বাবেই দিল্লীত বৃদ্ধি পাইছে প্ৰদূষণৰ মাত্ৰা!

**নতুন দিল্লী, ২৩ অক্টোবৰঃ** শীতৰ আগমনৰ লগে লগে পুনৰ বিষাক্ত হৈ পৰিছে দিল্লীৰ বতাহ। শীতৰ এখন পাতল চাদৰে ধৰণীক মেৰিয়াই ধৰিবলৈ আৰম্ভ কৰাৰ সময়তে দিল্লীৰ বায়ুৰ গুণাগুণ পুনৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰাক লৈ উদ্বেগ প্ৰকাশ কৰিছে উচ্চতম ন্যায়ালয়েও। চুবুৰীয়া ৰাজ্যত শস্যৰ অৱশিষ্ট জ্বলাই দিয়াৰ পৰিপ্ৰেক্ষিতত দিল্লীৰ বতাহ দূষিত হোৱা বুলি মত প্ৰকাশ কৰে সৰ্বোচ্চ ন্যায়ালয়ে। ইফালে এই সন্দৰ্ভত বুধবাৰে ন্যায়ালয়ৰ প্ৰশ্নৰ সন্মুখীন হয় কেন্দ্ৰীয় চৰকাৰ। সমান্তৰালভাৱে দিল্লীৰ দুই চুবুৰীয়া ৰাজ্য পঞ্জাৱ আৰু হাৰিয়ানাৰ চৰকাৰৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰে উচ্চতম ন্যায়ালয়ে। দৰাচলতে বুধবাৰে দিল্লীৰ প্ৰদূষণ গোচৰৰ শুনানি গ্ৰহণ কৰে সৰ্বোচ্চ ন্যায়ালয়ে। ন্যায়াধীশ অভয় এছ ওকা, ন্যায়াধীশ এ আমানুল্লাহ আৰু ন্যায়াধীশ এ জি মাহিশৰ বিচাৰপীঠৰ সন্মুখত এই গোচৰটো উত্থাপন হয়। শুনানিৰ সময়ত ন্যায়ালয়ে কয় যে কেন্দ্ৰৰ পৰিৱেশ সুৰক্ষা আইন সংশোধনে কাৰ্যকৰীভাৱে ইয়াক 'দুৰ্বল' কৰি তুলিছে। বিশেষকৈ তিনিজনীয়া বিচাৰপীঠে আইনখনৰ ১৫ নং ধাৰা সংশোধনৰ কথা উল্লেখ কৰে। ধাৰাটোত পৰিৱেশ সুৰক্ষা আইন ভংগ কৰাৰ শাস্তিৰ কথা উল্লেখ কৰা হৈছে। আদালতৰ মতে, সংশোধনীত (কঠোৰ) শাস্তিৰ বিষয়টো বাদ দিয়া হৈছে। কেৱল জৰিমনাহে দিয়া হৈছে। ইয়াৰ বাহিৰেও আদালতে জৰিমনা বলবৎ কৰাৰ প্ৰক্ৰিয়াটো সঠিকভাৱে আগবাঢ়িব পৰা নাই বুলিও মত ব্যক্ত কৰে। উচ্চতম ন্যায়ালয়ৰ তিনিগৰাকী ন্যায়াধীশৰ বিচাৰপীঠে কয়, 'কেন্দ্ৰই কাম কৰিব লাগিব। তেওঁলোকে এতিয়াও কোনো আন্তঃগাঁথনি নিৰ্মাণ কৰা নাই। পৰিৱেশ সুৰক্ষাৰ আইনসমূহো দুৰ্বল হৈ পৰিছে। আইনৰ ১৫ নং ধাৰাত সংশোধনীত আপুনি শাস্তি বাদ দি জৰিমনা বিহাৰ ব্যৱস্থা কৰিছে। সেই শাস্তি কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়াও ভালদৰে চলি থকা নাই।" ইফালে এই গোচৰৰ শুনানিৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ হৈ আদালতত উপস্থিত থাকে অতিৰিক্ত ছলিচিটৰ জেনেৰেল ঐশ্বৰ্য ভাটি। তেওঁ আশ্বাস দিয়ে যে অহা ১০ দিনৰ ভিতৰত নিযুক্তিৰ নিয়ম চূড়ান্ত কৰাৰ পিছত এই আইনখন সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'ব। কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তাই আদালতত কয় যে পঞ্জাৱ আৰু হাৰিয়ানা দুয়োখন ৰাজ্যৰ কৃষি বিভাগৰ পৰিৱেশ সচিব আৰু অতিৰিক্ত সচিবক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। কিন্তু আদালতে কয় যে এই বায়ু প্ৰদূষণৰ পৰিস্থিতি কেৱল ৰাজনীতিকৰণহে কৰা হৈছে। কেন্দ্ৰৰ অধিবক্তাক সম্বোধন কৰি বিচাৰপীঠে কয়, 'যদি এই ৰাজ্য চৰকাৰসমূহ আৰু আপুনি (কেন্দ্ৰীয় চৰকাৰ) সঁচাকৈয়ে পৰিৱেশ সুৰক্ষাৰ বাবে আগ্ৰহী হ'লহেঁতেন তেন্তে ১৫ নং ধাৰাত সংশোধনীৰ পূৰ্বে (নিয়ম চূড়ান্ত কৰাৰ) কামটো কৰা হ'লহেঁতেন। এই সকলোবোৰ ৰাজনীতিৰ বাহিৰে আন একো নহয়।" প্ৰণিধানযোগ্য যে, শীতকালৰ আগমনৰ লগে লগে প্ৰত্যেক বছৰে আতংকজনক ৰূপ ধাৰণ কৰে দিল্লীৰ বায়ু প্ৰদূষণৰ পৰিস্থিতিয়ে। চুবুৰীয়া পঞ্জাৱ আৰু হাৰিয়ানাত কৃষকসকলে পথাৰত শস্যৰ অৱশিষ্টসমূহ জ্বলাই দিয়াৰ পৰিপ্ৰেক্ষিতত এই প্ৰদূষণ বৃদ্ধি পাই অহা বুলি দাবী উত্থাপন হৈ আহিছে। বুধবাৰে এই গোচৰৰ শুনানিৰ সময়ত এই চুবুৰীয়া ৰাজ্য দুখনমুখ্য সচিবসকলো উপস্থিত থাকে। এতিয়া প্ৰদূষণ হ্ৰাস কৰিবলৈ কি ব্যৱস্থা লয় সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অট্টালিকা খহি ৭জনৰ কৰুণ মৃত্যু

মহলীয়া অট্টলিকা খহি পৰি মৃত্যুক সাৱটিলে পাঁচ জনকৈ শ্ৰমিকে। মঙলবাৰে বিয়লি সংঘটিত এই দুৰ্ঘটনাৰ পিছতে উদ্ধাৰকাৰী দলে তৎপৰতাৰে অভিযান চলাই ধ্বংসাৱশেষৰ মাজৰ পৰা ১৩ জন লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কিন্তু এতিয়াও ধ্বংসাৱশেষৰ তলত আৰু বহু শ্ৰমিক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি কয় যে খহি পৰা সাতমহলীয়া অট্টালিকাটো নিয়ম মানি নচলাকৈ নিৰ্মাণ কৰি থকা হৈছিল। বহুমহলীয়া অট্টালিকাটো ভাঙি পৰাৰ ক্ষেত্ৰত অভিযুক্তৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মন্তব্য কৰে শিৱকুমাৰে। ইফালে অগ্নিনিৰ্বাপক আৰু দুৰ্যোগ সঁহাৰি বাহিনীৰ উদ্ধাৰকাৰী দলে জানিবলৈ দিয়া মতে, অট্টালিকাটোৰ নিৰ্মাণকাৰ্য চলি থকাৰ সময়তে মঙলবাৰে বিয়লি ঘৰটো ভাঙি পৰাত সেই সময়ত তাত কাম কৰি থকা বিশজন শ্ৰমিক ধ্বংসাৱশেষৰ মাজত আবদ্ধ হৈ পৰে। বুধবাৰে দুপৰীয়া পৰ্যন্ত উদ্ধাৰকাৰী দলে ১৩ জনক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে আৰু বাকী সকলৰ উদ্ধাৰ বাবেও অভিযান অব্যাহত ৰখা হৈছে। উল্লেখ্য যে, মঙলবাৰৰ পৰা বাংগালুৰুত অব্যাহত আছে ধাৰাসাৰ বৰষুণ। এই বৰষুণৰ বাবেই বহুমহলীয়া অট্টালিকাটো খহি পৰাৰ সন্দেহ কৰিছে বিভিন্নজনে। দুৰ্ঘটনাৰ পৰা নিৰাপদে প্ৰাণৰক্ষা পৰা একাংশ শ্ৰমিকে জানিবলৈ দিয়া মতে, অট্টালিকাটো খহি পৰাৰ সময়ত ভিতৰত টাইলছ লগোৱা কামৰ লগতে পাইপ আৰু ৰেলিংডৱৰ কাম চলি আছিল। অট্টালিকটো খহি কেবাজনো শ্ৰমিক নিহত হোৱা ঘটনাটোৱে চৰকাৰকো বিপাঙত পেলাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমানতৰ ধন... বাৰে বাৰে

বিবেক দাসৰ তিনিটা নিৰ্বাচনত আমানতৰ ধন বাজেয়াপ্ত হোৱাৰ বিষয়টো উল্লেখ কৰি প্ৰাৰ্থিত্বক লৈ প্ৰশ্ন কৰিছিল সিঙে। জিতেন্দ্ৰ সিঙে কয়, যেতিয়া বিৰোধীৰ সভাত আলোচনা কৰিছিলো তেতিয়া বিবেক দাসে কেইবাৰ প্ৰতিদ্বন্দ্বিতাকা কৰিছিল সেই কথা উল্লেখ কৰিছো। দাসে ২০০৬, ২০১১, ২০১৬ চনত সেই সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি মাত্ৰ ৮ৰ পৰা ১২ হাজাৰ ভোট লাভ কৰিছিল আৰু আমানতৰ ধন বাজেয়াপ্ত হৈছিল। কিন্তু ২০২১ চনত যেতিয়া কংগ্ৰেছৰে মিত্ৰতা হোৱাত বিহালী চিপিআইএমএলক এৰি দিছিল তেতিয়া ২১ হাজাৰ ভোট লাভ কৰি তেতিয়াও বিবেক দাস তৃতীয় স্থানত আছিল। জিতেন্দ্ৰ সিঙৰ এনে পত্ৰ সংবাদমাধ্যমত প্ৰচাৰ হোৱাত বিবেক দাসৰ নিৰ্বাচন খেলাৰ বিষয়টোক লৈ চৰ্চা হ'বলৈ ধৰিছে। সঁচাকৈ বিবেক দাসে বাৰে বাৰে নিৰ্বাচন খেলি আহিছে নেকি? কেইবাৰ নিৰ্বাচন খেলিছে বিবেক দাসে। এনে কথাসমূহ চৰ্চা হ'ব ধৰিছে। বিহালী সমষ্টিৰ একাংশ লোকে কয় যে বিবেক দাসে আজিলৈ ৬বাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ১৯৯৬ চনৰ পৰা যেতিয়াই নিৰ্বাচন আহিছে তেতিয়াই বিহালী বিধানসভা সমষ্টিত মনোনয়ন দাখিল কৰি আহিছে বিবেক দাসে। ১৯৯৬, ২০০১, ২০০৬, ২০১১, ২০১৬, ২০২১ চনত বিহালী সমষ্টিত নিৰ্বাচন খেলিছে বিবেক দাসে। কিন্তু ২০২১ চনৰ নিৰ্বাচনত বিবেক দাসে শক্তিশালী যুঁজ দিছিল। কিয়নো কংগ্ৰেছ সেইবাৰ বিবেক দাসৰ পক্ষত আছিল। কংগ্ৰেছ প্ৰাৰ্থী দিয়া নাছিল। বিহালীৰ বামপন্থী এজন লোকে কয় যে ২০২১ চনত আমি বিবেক দাস জয়ী হ'ব বুলি নিশ্চিত আছিলো। কিন্তু ইভিএমৰ কিবা গৰবৰ হ'ব পাৰে। তেওঁ হাৰি থাকিল। বিবেক দাসৰ দৰে নেতাৰ বিধানসভাত প্ৰয়োজন। তেওঁ সদনত সাধাৰণ মানুহৰ কথা ক'ব বুলিও কয় জ্যেষ্ঠ বামপন্থী লোকজনে। বিবেক দাসে নিৰ্বাচন খেলাতো এক পৰম্পৰাত পৰিণত হোৱা বুলি বিহালী সমষ্টিৰ একাংশ জ্যেষ্ঠ লোকে প্ৰকাশ কৰিছে। আন একাংশ লোকে কয় যে বিহালীৰে নহয় উত্তৰ অসমৰ এক শক্তিশালী কণ্ঠ বিবেদ দাস। বিশেষকৈ চাহ শ্ৰমিকসকলৰ সমস্যাৰ হকে যুঁজ দি আহিছে দাসে। উচ্চ শিক্ষিত দাসে এটা চাকৰি কৰিব পাৰিলেহেঁতেন। কিন্তু ওৰে জীৱন সৰ্বহাৰাৰ হকে কাম কৰি গ'ল। আমানতৰ ধন বাজেয়াপ্ত হোৱা কথাটো নাজানো বুলি এজন লোকে উল্লেখ কৰি কয় যে বহুবাৰ নিৰ্বাচন খেলিছে, গতিকে আমানতৰ ধন বাজেয়াপ্ত হ'বও পাৰে। এতিয়া প্ৰশ্ন হৈছে বিহালীত বিবেক দাসে কেইবাৰ নিৰ্বাচন খেলিছে? তথ্য অনুসৰি দাসে ছয়বাৰ বিহালীত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ১৯৯৬ চনত প্ৰতিদ্বন্দ্বিতা কৰি ৮৫২৫টা ভোট লাভ কৰিছিল। ২০০১ চনত প্ৰতিদ্বন্দ্বিতা কৰি ১২ হাজাৰ ভোট লাভ কৰিছিল। ২০০৬ চনত প্ৰতিদ্বন্দ্বিতা কৰি ১৮ হাজাৰ ভোট লাভ কৰিছিল। ২০১১ চনত প্ৰতিদ্বন্দ্বিতা কৰি ১২ হাজাৰ ভোট লাভ কৰিছিল। ২০১৬ চনত প্ৰতিদ্বন্দ্বিতা কৰি ৮ হাজাৰ ভোট লাভ কৰিছিল। ২০২১ চনত প্ৰতিদ্বন্দ্বিতা কৰি ২১ হাজাৰ ভোট লাভ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ মুখলৈ শেষ ক্ষণলৈ

উপক্ৰম ঘটিছে। অসম সন্মিলিত মৰ্চাই কংগ্ৰেছক আজি পুৱা ১০ বজালৈ সময় নিৰ্ধাৰণ কৰি দিছিল যদিও হাইকমাণ্ডে সমষ্টিটো চৰ্ত সাপেক্ষেহে এৰি দিয়াৰ কথা কয়। সন্মিলিত মৰ্চাই চৰ্ত অনুযায়ী বাৰে বাৰে পৰাজিত চিপিআইএমএলৰ প্ৰাৰ্থী বিবেক দাসৰ পৰিৱৰ্তে আন দাম দিবলৈ যো-জা চলাই যদিও ৰহস্যজনকভাৱে কংগ্ৰেছৰ সৈতে সমীকৰণ মিলি নহাত সংঘাতহে বৃদ্ধি পায়। জানিব পৰা মতে, কংগ্ৰেছে জয়ন্ত বৰাকেই সমষ্টিটোত প্ৰাৰ্থিত্ব প্ৰদান কৰিব বুলি আগতীয়াকৈ উমান পায়েই নিশাই ভূপেন বৰাই সন্মিলিত মৰ্চাৰ পৰা পদত্যাগ কৰাৰ কথা আওপকীয়াকৈ ঘোষণা কৰিছিল। ইয়াৰ পিছতে আজি দিনৰ ভাগত অসম সন্মিলিত মৰ্চাৰ সাধাৰণ সম্পাদক তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে সংবাদ মাধ্যমক সম্বোধন কৰে। কংগ্ৰেছক টকা-পইছা, অহংকাৰ, লবী এইবোৰৰ জৰিয়তে অসমৰ ৰাইজক পণবন্দী নকৰিবলৈ সকীয়াই দিয়ে। যদি ২৬ত বিজেপিক পৰাভূত কৰিব খোজে আমি আমাৰ স্থিতি স্পষ্ট কৰি দিছো, কংগ্ৰেছে স্থিতি স্পষ্ট কৰক। অন্যথাই কথাবোৰ যুক্তিৰে বিবেচনা কৰা হ'ব। ইগো, আৱেগ, অহংকাৰক যাতে প্ৰশ্ৰয় নিদিয়ে। আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি অসম জাতীয় পৰিষদৰ সভাপতি তথা অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয়। গগৈয়ে কয় যে অসম সন্মিলিত মৰ্চাৰ বৈঠকৰ সিদ্ধান্ত মৰ্মে গঠিত ৫ জনীয়া সমিতিয়ে বিহালী সমষ্টি চিপিআইএমএলক প্ৰদান কৰাৰ সিদ্ধান্ত লৈছিল। সমিতি গঠনৰ দিনা জিতেন্দ্ৰ সিং খোদ উপস্থিত আছিল। সমিতিয়ে যাৰ নাম কয় তাকেই দিম বুলি জিতেন্দ্ৰ সিঙে কথা দিছিল। আমি সকলো দিশ চাইছো। জনগাঁথনি, সম্ভাৱনা চাইছো। চাই লৈ, ২০২৬ চন যিহেতু আমাৰ মূল লক্ষ্য সেয়েহে আমি ঐক্যবদ্ধতাৰে যুঁজাৰ লক্ষ্যৰে আসনখন চিপিআইএমএলক এৰি দিবলৈ কৈছিলো। তেওঁলোকে প্ৰাৰ্থী পচন্দ হোৱা নাই বুলি কৈ দ্বিতীয় প্ৰতিবেদন দিবলৈ কৈছে। তেতিয়া দ্বিতীয় প্ৰতিবেদন দিয়া হৈছে। আগৰ স্থিতিতে আমি অটল আছো। কংগ্ৰেছৰ পৰা উত্তৰ নাহিল। পিছত কালি আমি পুনৰ বৈঠকত বহিবলৈ বাধ্য হ'লো। মানুহে ভাবিব যে দল এটাক লৈ আমি লাগি থাকিবলগীয়া হৈছে। আমি লাগি থকা নাই। আমি চাইছো অসমৰ মানুহৰ ভৱিষ্যত। আমাৰো স্বাভিমান আছে। কংগ্ৰেছে জনা দৰকাৰ যে এক পাৰ্চেণ্ট, ডেৰ পাৰ্চেণ্ট, দুই পাৰ্চেণ্ট, তিনি পাৰ্চেণ্ট, চাৰি পাৰ্চেণ্ট ভোটে মেটাৰ কৰে। আজি হাৰিয়ানাত আপে ১.৭৯ শতাংশ ভোট লৈ যোৱাৰ বাবে এনে অৱস্থা হ'ল। লগতে ধৈৰ্য্যৰ পৰীক্ষা নলবলৈ সকীয়নি দি কংগ্ৰেছক পুনৰ আক্ৰমণ কৰি গগৈয়ে কয় যে আমি মানুহৰ স্বাৰ্থত, জনগণৰ স্বাৰ্থত ঐক্যবদ্ধ হৈ থাকিবলৈ এতিয়াও প্ৰাৰ্থীৰ কথা ঘোষণা কৰা নাই। এতিয়াও সময় আছে। যদি ঐক্যবদ্ধতাৰে ২০২৬ত বিজেপিক পৰাভূত কৰিব খোজে তেন্তে আমি কোৱা কথা যুক্তিৰে বিবেচনা কৰক। ৰজাঘৰৰ পৰা পেলোৱা জালত যাতে কোনেও ভৰি নিদিয়ে। সেই জালত ভৰি দি টকা-পইছা, অহংকাৰ, লবী, ইত্যাদিৰে যাতে অসমৰ জনগণক পণবন্দী কৰা নহয় তাৰ বাবে কংগ্ৰেছক সকীয়াই দিয়ে লুৰীণজ্যোতি গগৈয়ে। এনেদৰে সন্মিলিত মৰ্চাৰ লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে শেষ মুহূৰ্তলৈ কংগ্ৰেছলৈ বাট চাই ৰ'ল যদিও নিশাৰ ভাগত বিজেপি ত্যাগ কৰা জয়ন্ত বৰাক দিল্লীয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰে। এতিয়া সন্মিলিত মৰ্চাই কাইলৈ কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সেয়া হ'ব লক্ষণীয়।

# হিমন্ত বিশ্বৰ চৰকাৰক ব্ৰহ্মপুত্ৰত উটুৱাই দিয়ক! অখিল গগৈৰ আহ্বান

## কোকৰাঝাৰত এবিএমছুৰ চতুৰ্দশ বাৰ্ষিক কেন্দ্ৰীয় শ্বহীদ দিৱস





**ই-সংবাদ, কোকৰাঝাৰ, ২৩ অক্টোবৰঃ** বিজেপিক পৰাভূত কৰিবলৈ আমি সকলোৱে মিলি ঐক্যবদ্ধ হৈ থাকিব লাগিব। বিজেপিৰ অপশাসনৰ পৰা মুক্ত হ'বলৈ হ'লে আমি ঐক্যবদ্ধ হৈ থকাটো জৰুৰী। অপশাসনৰ পৰা মুক্ত পাবলৈ হলে ২০২৬ চনৰ নিৰ্বাচনত ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক ব্ৰহ্মপুত্ৰত উটুৱাই দিব লাগিব। সমাগত উপ-নিৰ্বাচনত বিহালী সমষ্টিক লৈ বিৰোধী ঐক্যত ফাট মেলাৰ উপক্ৰম হোৱাৰ সময়তে কোকৰাঝাৰত এই মন্তব্য প্ৰকাশ কৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আৰু মাগুৰমাৰি আঞ্চলিক সমিতিৰ সহযোগত কোকৰাঝাৰ সদৰ চহৰৰ নাতিদূৰৈৰ গৌৰাং নদীৰ পাৰৰ গৌৰাংছা বাগিছাগাঁৱত অনুষ্ঠিত হোৱা এবিএমছুৰ চতুৰ্দশ বাৰ্ষিক কেন্দ্ৰীয় শ্বহীদ দিৱস আৰু কোকৰাঝাৰ জিলা এবিএমছুৰ নৱম দ্বিবাৰ্ষিক অধিবেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অখিল গগৈয়ে উক্ত মন্তব্য কৰে। নিজ ভাষণত অখিল গগৈয়ে লাফিকুল ইছলামৰ হত্যাকাণ্ড ৰাজনৈতিক ষড়যন্ত্ৰ আছিল বুলি দাবী কৰি কয় যে ষড়যন্ত্ৰ আছিল বাবে আজিলৈকে লাফিকুল ইছলামৰ হত্যাকাৰীয়ে শাস্তি নাপালে। বিজেপি, অগপ আৰু ইউপিপিএলক কঠোৰ সমালোচনা কৰি অহা ২০২৬ চনৰ নিৰ্বাচনত ব্ৰহ্মপুত্ৰত উটুৱাই দিয়া হ'ব বুলি হুংকাৰ প্ৰদান কৰি অখিল গগৈয়ে নিজৰ উদাত্ত ভাষণত কয় যে যেতিয়ালৈকে ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থাকিব তেতিয়ালৈকে সংখ্যালঘু জনতাই এটা নিশাও শান্তিৰে শুব নোৱাৰিব। সমগ্ৰ ভাৰতত সংখ্যালঘুসকলে নিৰ্যাতিত, নিপীড়িত আৰু ভয়াৰ্ত হৈ থাকিব লগা হৈছে বুলি উল্লেখ কৰি অখিল গগৈয়ে কয় যে বিজেপি চৰকাৰখন সংখ্যালঘুৰ ডাঙৰ শত্ৰু আৰু অসমৰ ইতিহাসত হিমন্ত বিশ্ব শৰ্মা হ'ল সংখ্যালঘুৰ ডাঙৰ শত্ৰু। গতিকে হিমন্ত বিশ্ব শৰ্মাৰ পৰা সংখ্যাগুৰু-সংখ্যালঘু সকলোকে সাৱধানে থাকিবলৈ আহ্বান জনাই ২০২৬ চনত সকলোকে ঐক্যবদ্ধ হৈ ৰাজনৈতিকভাৱে ব্ৰহ্মপুত্ৰয়েদি বাংলাদেশলৈ উটুৱাই দিয়াৰ আহ্বান জনায়। জনতাৰ তুমুল হৰ্ষধ্বনিৰ মাজেৰে অখিল গগৈয়ে অতি উদাত্ত কণ্ঠৰে প্ৰমোদ বড়ো চৰকাৰকো কঠোৰ সমালোচনা কৰি বিটিআৰৰ জনতা ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে। বিটিচিৰ নিৰ্বাচনত ঐক্যবদ্ধভাৱে নিৰ্বাচন খেলাৰ হুংকাৰ প্ৰদান কৰি অখিল গগৈ ইয়াৰ বাবে ৰণকৌশল আৰম্ভ কৰা বুলি সদৰী কৰে। উপ-নিৰ্বাচনৰ পিছতে প্ৰমোদ বড়ো চৰকাৰে পুনৰাই উচ্ছেদ চলাব বুলি সদৰী কৰি অখিল গগৈয়ে কয় যে এইবাৰ যিকোনো জাতি-জনগোষ্ঠীৰ এটা ঘৰৰ ওপৰত উচ্ছেদৰ বুলডজাৰ চলালে সকলোকে ঐক্যবদ্ধ হৈ বিটিআৰত নিৰবিচ্ছিন্ন আন্দোলন চলোৱাৰ বাবে আহ্বান জনায়। উক্ত আন্দোলনত তেওঁ নিজেও সহযোগ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। আজিৰ শ্বহীদ দিৱসৰ অনুষ্ঠানত ফেচিবাদী, সাম্প্ৰদায়িক, সংখ্যালঘু নিধনকাৰী বিজেপি আৰু বিজেপিৰ সহযোগী ইউপিপিএল, অগপৰ সতে যাতে কোনেও জাতিৰ স্বাৰ্থ বিঘ্নিত কৰি হাত নিমিলায় তাৰ প্ৰতি সচেতন হ'বলৈকো আহ্বান জনাইছে অখিল গগৈয়ে। ইফালে, সংবাদমাধ্যমৰ আগত ভূপেন বৰাই অসম সন্মিলিত মঞ্চৰ সভাপতিৰ পদৰ পৰা পদত্যাগ কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰিছে অখিল গগৈয়ে। আজি পুৱালৈকে ঠিকে থকা ভূপেন বৰাই কি কাৰণত পদত্যাগ কৰিলে সেয়া বোধগম্য নহয় আৰু আশাকৰো আমি ভুল বুজাবুজি দূৰ কৰিব পাৰিম বুলি মন্তব্য কৰি কোকৰাঝাৰৰ পৰা গুৱাহাটী গৈ পোৱাৰ পিছতে বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি মন্তব্য কৰে গগৈয়ে। শক্তিশালী প্ৰাৰ্থী দি ঐক্যবদ্ধভাৱে থাকি বিজেপিক পৰাভূত কৰাটোৱেই মূল লক্ষ্য হোৱা উচিত বুলি মন্তব্য কৰি অখিল গগৈয়ে উপ নিৰ্বাচনৰ চাৰিটা সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থী দিয়ক, বাকী বিহালী সমষ্টিত অসম সন্মিলিত মঞ্চৰ (কংগ্ৰেছৰ বাহিৰে) প্ৰাৰ্থী থাকক বুলি মন্তব্য কৰিছে।

আনহাতে, নিয়াই ৰাষ্ট্ৰদোহ আৰু মাওবাদী গোচৰত দোষমুক্ত কৰা সন্দৰ্ভত অখিল গগৈয়ে কয় যে নিয়াৰ দুটা গোচৰত তেওঁক মুক্ত কৰিছে আৰু দুটা গোচৰ জাপি দিছে। গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰীয়ে নিজে তদাৰক কৰি মোৰ ওপৰত অন্যায়ভাৱে এই গোচৰ জাপি দিছে বুলি মন্তব্য কৰি অখিল গগৈয়ে নিয়াই গোচৰ জাপি দিয়া সন্দৰ্ভত উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাব বুলি সদৰী কৰিছে। আজিৰ সভাত এবিএমছুৰ সভাপতি টাইছন হুছেইনে সংখ্যালঘু ৰাইজৰ প্ৰতি চৰকাৰে কৰি অহা অন্যায়-অবিচাৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে নতুন দিল্লীৰ যন্তৰ মন্তৰত অহা ১৪ নৱেম্বৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সদৰি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অসমৰ সংখ্যালঘু জনতাৰ সাংবিধানিক অধিকাৰ কাঢ়ি নিবলৈ মুখ্যমন্ত্ৰীৰ আসনত বহুৱাই থোৱা হৈছে নেকি বুলি যন্তৰ মন্তৰৰ ধৰ্ণা কাৰ্যসূচীত এবিএমছুৱে প্ৰশ্ন উত্থাপন কৰিব বুলি সদৰি কৰি টাইছন হুছেইনে অধিকাৰৰ পৰা বঞ্চিত কৰাৰ পৰম্পৰাৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত থাকিব বুলি সদৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় সংখ্যালঘু জনতাক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰি ধাৰাবাহিক উচ্ছেদ, এনকাউন্টাৰ, বুলডজাৰেৰে সংবিধানপ্ৰদত্ত অধিকাৰ কাঢ়ি নিবলৈ চেষ্টা কৰিছে বুলি মন্তব্য কৰি টাইছন হুছেইনে শ্বহীদ লাফিকুল ইছলামৰ তেজক লৈও হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰমোদ বড়োৱে ৰাজনীতি কৰিবলৈ নেৰিলে বুলি আক্ষেপ প্ৰকাশ কৰে। উল্লেখ্য যে আজি এবিএমছুৰ সভাপতি টাইছন হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিটিআৰৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা কেবা সহস্ৰাধিক জনতা উপস্থিত থকাৰ লগতে এবিএমছুৰ সাধাৰণ সম্পাদক জাইদুল শ্বেখ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল ডেকা, আদিবাসী ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ষ্টিফেন লাক্ৰা আদিকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# ছিদলীৰ উপ-নিৰ্বাচন সঞ্জীৱ ওৱাৰীৰ মনোনয়ন দাখিল

**ই-সংবাদ, চিৰাং, ২৩ অক্টোবৰঃ** সুদীৰ্ঘ ২৫ বছৰৰ অন্তত ৩১ নং ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান কৰিছে জাতীয় কংগ্ৰেছ দলে। আজি প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা বিধায়ক জাকিৰ হুছেইন শিকদাৰ, উপ-সভাপতি গুণকান্ত গগৈৰ উপস্থিতিত ছিদলী বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কাজলগাঁওস্থিত জিলা নিৰ্বাচনী কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ পিছতেই ছিদলী সমষ্টিৰ উপ-নিৰ্বাচনত বিপুল ভোটত জয়লাভ কৰিব বুলি কংগ্ৰেছৰ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে দাবী কৰে। উল্লেখ্য যে মনোনয়ন দাখিলৰ পূৰ্বে জিলাখনৰ কাজলগাঁৱৰ বৈখুনগাঁৱত নিৰ্বাচনী জনসভা অনুষ্ঠিত হয়। সভাত বিজেপিৰ শাসনকালত সৰ্ব-সাধাৰণ ৰাইজৰ ওপৰত যি অত্যাচাৰ আৰু শোষণ চলি আছে সেইসমূহৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী জয়লাভ কৰাৰ পিছতেই মুক্ত কৰিবলৈ চেষ্টা চলাই যাব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে প্ৰাৰ্থীগৰাকীয়ে। আজিৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত কাজলগাঁৱৰ বৈখুনগাঁৱৰ জনসভাস্থলীৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক কলা-কুশলীৰ নৃত্য গীত আৰু বেণ্ডপাৰ্টী সংগীতৰ তালে তালে প্ৰায় সহস্ৰাধিক সমৰ্থকে শোভাযাত্ৰা কৰি চিৰাং জিলা নিৰ্বাচনী বিষয়া ফিৰদৌস আলমৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। অনুষ্ঠানত কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা বিধায়ক জাকিৰ হুছেইন শিকদাৰ, উপ-সভাপতি গুণকান্ত গগৈ, বিধায়ক আব্দুল বাতেন খন্দকাৰ, ৰমণ ঝাই প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীক সংগ দিয়ে। উল্লেখযোগ্য যে আজিৰ ছিদলীৰ কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীৰ মনোনয়ন পত্ৰ দাখিল কৰা অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু বিৰোধী দলপতি দেবব্ৰত শইকীয়া উপস্থিত থকাৰ কথা আছিল যদিও বিহালী সমষ্টিৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক সমস্যাৰ বাবে সঞ্জীৱ ওৱাৰীৰ মনোনয়ন পত্ৰ দাখিল কৰা অনুষ্ঠানত উপস্থিত থকাৰ পৰা বিৰত থাকে বুলি জিলা কংগ্ৰেছৰ এটি সূত্ৰই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।



## তিতাবৰত পলাতক ট্ৰেডিং মাষ্টৰৰ কাণ্ডক লৈ চাঞ্চল্য

# ত্ৰিপাল-তামোলৰ ঢকুৱাৰে লুকুৱাই থোৱা বিলাসী অ'ডি উদ্ধাৰ

**ই-সংবাদ, তিতাবৰ, ২৩ অক্টোবৰঃ** বাঁহনিৰ মাজত ত্ৰিপাল আৰু তামোলৰ ঢকুৱাৰে ঢাকি থোৱা অৱস্থাত এখন বিলাসী অ'ডি বাহন উদ্ধাৰক লৈ যোৰহাট জিলাৰ তিতাবৰত চাঞ্চল্যৰ সৃষ্টি হৈছে। বিলাসী বাহনখন এনেদৰে বাঁহনিত লুকুৱাই থৈ পলায়ন কৰিছে গৰাকীয়ে। কিয়নো গৰাকীয়ে মানুহক ট্ৰেডিঙৰ নামত লক্ষ লক্ষ টকা সংগ্ৰহ কৰি প্ৰৱঞ্চনা কৰিছিল। গাড়ীখন ট্ৰেডিং এফেক্সৰ ধন লুটি পলায়ন কৰা প্ৰৱঞ্চক প্ৰফুল্ল বৰাৰ বুলি চৰ্চা চলিছে। জানিব পৰা মতে, তিতাবৰৰ স্বাস্থ্য বিভাগৰ সাধাৰণ কৰ্মচাৰী প্ৰফুল্ল বৰা ট্ৰেডিং এফেক্সৰ অন্যতম এজেণ্ট আছিল। ট্ৰেডিঙত ধন বিনিয়োগ কৰি সেই ধন দুগুণ কৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে কেইবাশ লোকৰ পৰা ধন সংগ্ৰহ কৰিছিল প্ৰফুল্ল বৰাই। কিন্তু ট্ৰেডিং কেলেংকাৰীৰ বাতৰি প্ৰকাশৰ পাছতে আৰক্ষীৰ চকুৰ পৰা হাত সাৰিবলৈ বিলাসী বাহন লুকুৱাই থৈ পলায়ন কৰে প্ৰৱঞ্চক বৰাই। দীৰ্ঘদিন ধৰি পলাতক হৈ থকা বৰাক বিচাৰি নাপালেও বিনিয়োগকাৰীয়ে বিচাৰি উলিয়াইছে তেওঁ লুকুৱাই থৈ যোৱা বিলাসী অ'ডি বাহনখন। প্ৰায় ষাঠি লাখটকীয়া বাহনখন আৰক্ষী-প্ৰশাসনৰ চকুত ধূলি দি লুকুৱাই ৰাখিছিল প্ৰফুল্ল বৰা নামৰ ব্যক্তিজনে। অসমৰ নিবনুৱা যুৱকক প্ৰৱঞ্চনা কৰি বিলাসী জীৱন কটোৱা স্বাস্থ্য বিভাগৰ সাধাৰণ কৰ্মচাৰী তথা ট্ৰেডিং এফেক্সৰ অন্যতম খলনায়ক প্ৰফুল্ল বৰাই তিতাবৰৰ বিভিন্ন ঠাইত ভূমি ক্ৰয় কৰাৰো অভিযোগ উত্থাপন কৰিছে বিনিয়োগকাৰীয়ে। ট্ৰেডিং এফেক্সৰ এজন বিনিয়োগকাৰীয়ে তিতাবৰৰ বগাৰগাঁৱত উপস্থিত হৈ পলাতক প্ৰফুল্ল বৰাই লুকুৱাই থোৱা এএছ ০৩ এএল ৩৩১২ নম্বৰৰ বিলাসী অ'ডি বাহনখন বিচাৰি উলিয়ায়। এজন সম্বন্ধীয় ককায়েকৰ ঘৰত এখন কাপোৰ আৰু তামোলৰ ঢকুৱা দি লুকুৱাই ৰখা বাহনখন বিনিয়োগকাৰীয়ে জব্দ কৰাৰ লগতে তিতাবৰৰ ভিন্ন অঞ্চলত ক্ৰয় কৰা ভূমিৰ লগতে সম্পত্তি অতি শীঘ্ৰে জব্দ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে, প্ৰফুল্ল বৰা নামৰ এই ব্যক্তিজনে ট্ৰেডিঙৰ জৰিয়তে বিশাল সম্পত্তিৰ গৰাকী হৈছিল। ইমানৰ পিছতো কিয় তিতাবৰ আৰক্ষী-প্ৰশাসনৰ লগতে চিআইডিৰ দলে বৰাক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই বুলি বিনিয়োগকাৰীসকলে প্ৰশ্ন উত্থাপন কৰিছে। চুমি-বিশালৰ অনুৰূপ ধৰণে তিতাবৰৰ ট্ৰেডিং মাষ্টাৰ প্ৰফুল্ল বৰাৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী বিনিয়োগকাৰীসকলে।

# ডিব্ৰুগড়ত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ অক্টোবৰঃ** ডিব্ৰুগড়ৰ সমাজ-সংস্কৃতিক অনুষ্ঠান মঞ্চৰূপা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত অহা ৫ নৱেম্বৰত চৌকিডিঙীস্থিত লক্ষ্মীনাথ বেজবৰুৱা ভৱনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথি আয়োজনৰ লগতে সদৌ অসম ভিত্তিত সুলেখা হাতীমূৰীয়াৰ সোঁৱৰণত প্ৰাইজমনি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। এই উপলক্ষে সংগীতা বৰুৱাক সভাপতি আৰু ৰেখা শৰ্মা বৰুৱা, মালবিকা দত্তক যুটীয়া সম্পাদিকা হিচাপে এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। আয়োজকসকলে জনোৱামতে পাঁচ নৱেম্বৰৰ পুৱা ৯ বজাৰ পৰা প্ৰতিযোগিতা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ১০ বছৰ বয়সৰ উৰ্ধৰ প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰথম পৰ্যায়ত প্ৰতিযোগীসকলে স্বনিৰ্বাচিত আৰু দ্বিতীয় পৰ্যায়ত বিচাৰকৰ নিৰ্দেশমৰ্মে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰিব লাগিব। প্ৰতিযোগীসকলে সংগতকাৰী দল নিজেও আনিব পাৰিব আৰু প্ৰয়োজনসাপেক্ষে সমিতিৰ তৰফৰ পৰাও যোগান ধৰা হ'ব। থকা-খোৱাৰ খৰচ প্ৰতিযোগীয়ে নিজে বহন কৰিব লাগিব। বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক ক্ৰমে নগদ ১১,১০১ টকা, ৭,১০১ টকা আৰু ৪,১০১ টকা প্ৰাইজমনি প্ৰদানৰ লগতে ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। সন্ধিয়ালৈ বিজয়ী প্ৰতিযোগী আৰু অন্যান্য শিল্পীসকলৰ দ্বাৰা ভূপেন্দ্ৰ সংগীতৰ সন্ধিয়া অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতাত যোগদান কৰিব বিচৰা ইচ্ছুকসকলে ৯৪৩৫৫৮০৫৩৬, ৯৪৩৫২০৫২১২ আৰু ৯৩৬৫২৪৩৬০৮ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সকলে আহ্বান জনাইছে।

# নাগশংকৰ আঞ্চলিক সমাৰোহৰ সামৰণি

ই-সংবাদ, বিশ্বনাথ, ২৩ অক্টোবৰঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ তেজপুৰ জিলা শাখাৰ অন্তৰ্গত নাগশংকৰ আঞ্চলিক শাখাৰ উদ্যোগত ২০ অক্টোবৰত চেঙামাৰী মিলন প্ৰাথমিক শাখাৰ আতিথ্যত শিশু-যুৱ-আইমাতৃ সমাৰোহভাগ অনুষ্ঠিত হয়। নাগশংকৰ আঞ্চলিক শাখাৰ সম্পাদক দিগন্ত বৰুৱাই আঁত ধৰা সমাৰোহ ভাগত সভাপতিৰ আসন গ্ৰহণ কৰে নাগশংকৰ আঞ্চলিক শাখাৰ সভাপতি লক্ষী বেজবৰুৱাই। আৰম্ভণি ঘোষাৰে আঁত ধৰে আঞ্চলিক শাখাৰ প্ৰাক্তন উপ-সভাপতি চিতেশ্বৰ ভূঞাই। সমাৰোহত সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। সাহিত্য আৰু সংস্কৃতিৰ প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে সাহিত্য শাখাৰ সভাপতি ৰাজেন্দ্ৰ কলিতা, সম্পাদক বিশ্বজিৎ সূত আৰু সংস্কৃতি শাখাৰ সভাপতি দিলীপ বৰা, সম্পাদক পল্লৱ হাজৰিকা আৰু ৰাতুল বৰাই। সমাৰোহত সাহিত্য প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে জামুগুৰি আঞ্চলিক শাখাৰ ভাৰত দাস আৰু নাগশংকৰ আঞ্চলিক শাখাৰ পংকজ হাজৰিকা আৰু সংস্কৃতি প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে জামুগুৰি আঞ্চলিক শাখাৰ মনিকা বৰা আৰু পাৱলৈ পাভৈ আঞ্চলিক শাখাৰ পিংকু হাজৰিকা। ২৮ খন প্ৰাথমিক শাখাৰ বাপ-বান্ধৱ, আইমাতৃ, যুৱক-যুৱতী আৰু শিশুসকলৰ লগতে জিলা সদস্য, আঞ্চলিক আৰু প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল সমাৰোহত উপস্থিত থাকে। সাহিত্য আৰু সংস্কৃতিৰ প্ৰতিযোগিতাসমূহত স্থান লাভ কৰে সাহিত্য শাখাৰ শিশুৰ কবিতা আবৃত্তিত প্ৰথম ৰাণী ভূঞা, দ্বিতীয় মানসজ্যোতি গগৈ আৰু প্ৰণামিকা শইকীয়া, তৃতীয় বৃষ্টিপ্ৰিয়া বৰা আৰু জনাৰ্দন বৰা আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে মেঘাশ্ৰী বৰা আৰু দৰ্শনা বৰাই। যুৱ শাখাৰ কবিতা আবৃত্তিত ৰাণী মেধি, আইমাতৃৰ কবিতা আবৃত্তিত প্ৰথম চুমি বৰা, দ্বিতীয় পিংকী শইকীয়া আৰু তৃতীয় উষা বেজবৰুৱা, শিশুৰ বক্তৃতাত প্ৰথম অভিৰাজ কাশ্যপ শইকীয়া, দ্বিতীয় মানসজ্যোতি গগৈ আৰু তৃতীয় ৰুস্মিতা বৰকাকতী আৰু লিপি বৰুৱাই। আইমাতৃৰ বক্তৃতাত প্ৰথম শৰ্মিষ্ঠা শইকীয়া আৰু দ্বিতীয় স্থান লাভ কৰে মুনমী গগৈয়ে।

## ডেংগুৰ হটস্পটত পৰিণত ভাস্কৰ নগৰ, আক্ৰান্ত ৩০

# গুৱাহাটীৰ চাৰিটা এলেকাক ৰেড জ'ন ঘোষণা, এজনৰ মৃত্যু

ই-সংবাদ, ২৩ অক্টোবৰঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটীত পুনৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিব নেকা ডেংগুৱে? গুৱাহাটীৰ কেইবাটাও এলেকাত পুনৰ ডেংগুৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত এই আশংকা কৰা হৈছে। ইতিমধ্যে ডেংগুত আক্ৰান্ত হৈ এগৰাকী মহিলাৰ মৃত্যু হৈছে। মহিলাৰ মৃত্যুৰ পাছতে ন-ন অঞ্চললৈ সংক্ৰমণ হোৱাৰ আশংকা কৰিছে স্বাস্থ্য বিভাগে। স্বাস্থ্য বিভাগ তথা কামৰূপ মহানগৰ জিলা প্ৰশাসনে গুৱাহাটীৰ কেইবাটাও এলেকাৰ লোকক সতৰ্ক কৰিছে। জুৰোডৰ ভাস্কৰনগৰ, কাৰ্বিপথ, অম্বিকাগিৰি নগৰ আৰু বামুণীমৈদাম ৰে'লৱে কলনীবাসীক সতৰ্ক কৰা হৈছে। এই চাৰি এলেকাক ৰেডজ'ন ঘোষণা কৰিছে প্ৰশাসনে। মঙলবাৰে ডেংগিত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয় এগৰাকী মহিলাৰ। মহিলাগৰাকীৰ ঘৰ জুৰোডৰ ভাস্কৰনগৰত বুলি জানিব পৰা গৈছে। বৰষুণ কমি অহাৰ পাছতে মহানগৰীৰ ইটোৰ পাছত সিটো অঞ্চলত ডেংগুৰ প্ৰাদুৰ্ভাৱ হোৱাত আতংকিত হৈছে মহানগৰবাসী। বৃষ্টি কমি অহাৰ সময়ত তথা খৰালিত বতৰ শুকান হ'বলৈ ধৰাৰ সময়তে স্বাস্থ্য বিভাগ তথা কামৰূপ মহানগৰ জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল যদিও গুৰুত্ব আৰোপ কৰা কৰা পৰিলক্ষিত হোৱা নাই। আনহাতে, ভাস্কৰ নগৰ, হাতীগড় চাৰিআলি, গীতানগৰ, কাৰ্বি পথ এলেকাত ইজনৰ পিছত সিজন আক্ ৰান্ত হৈছে ডেংগুত। বিগত এটা মাহত জুৰোডৰ ভাস্কৰনগৰৰ ৩০জনৰো অধিক লোক ডেংগুত আক্ৰান্ত হৈছে। ডেংগুৰ হটস্পটত পৰিণত হৈছে গুৱাহাটীৰ ভাস্কৰ নগৰ। বছৰি গুৱাহাটীত ডেংগুৰ প্ৰাদুৰ্ভাৱ বিষয়ে বহুলোকৰ চিন্তা বাঢ়িছে। বছৰি আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হোৱাৰ লগতে মৃত্যু হোৱা লোকৰ সংখ্যাও খুব কম নহয়। ডেংগু সংক্ৰমিত হোৱাৰ কাৰণ হৈছে এডিছ মহ। এই মহবোৰে চাফ-চিকুণ ঘৰত বাস কৰি পৰিষ্কাৰ পানীত কণী পাৰে। ঘৰৰ চালত বা বাৰাণ্ডাৰ ফুলৰ টাবত, নিৰ্মাণাধীন ভৱন, পৰি থকা টায়াৰ বা আন পাত্ৰত জমা হোৱা পানীত প্ৰজনন কৰে এনে মহে। গুৱাহাটীৰ বিভিন্ন এলেকাত পানী জমা হৈ থকা পৰিলক্ষিত হয়। মানুহক চৌহদত পানী জমা নকৰিবলৈ সতৰ্ক কৰা নহয়। আনহাতে, ৰাজহুৱা স্থানত জমা হোৱা পানী নিষ্কাশণৰ ব্যৱস্থা কৰা নহয় বুলি অভিযোগ উত্থাপন হৈ আহিছে। গুৱাহাটীৰ ভাস্কৰনগৰ, কাৰ্বিপথ, জু-ৰোডৰ অম্বিকাগিৰি নগৰ আৰু বামুণীমৈদাম ৰে'লৱে কলনীৰ পৰা শিক্ষা লৈ ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু কামৰূপ মহানগৰ প্ৰশাসনে অনগাত দিনত ব্যৱস্থা গ্ৰহণ কৰিব নে নাই সেয়া লক্ষ্যণীয় বিষয় হৈ পৰিছে।



কাজানত ব্ৰিকছ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউ.এ.ইৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ আল নাহিয়ান

# নুমলীগড়ত ধঁপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে প্ৰশাসনৰ অভিযান

ই-সংবাদ, নুমলীগড়, ২৩ অক্টোবৰঃ গুটখা বুলি ক'লে আগতে কেৱল পাণ দোকানসমূহতে উপলব্ধ আছিল। আজিকালি কিন্তু চাহৰ সৰু সৰু হোটেল, গেলামাল দোকান আদি প্ৰায় সকলোতে গুটখাৰ পেকেট ওলোমাই থোৱা থাকে। চৰকাৰে বিক্ৰেতাসকলৰ বিৰুদ্ধে প্ৰশাসনক ব্যৱস্থা লোৱাৰ বাবে নিৰ্দেশ জাৰি কৰি থৈছে যদিও এইক্ষেত্ৰ চৰকাৰে সোপাটিলা নীতি অলম্বন কৰা বাবে একাংশ দোকানীয়ে আজিও স্বাধীনভাৱে এনে গুটখা বিক্ৰী কৰি আছে। এনে সময়তে গোলাঘাট প্ৰসাশনে বুধবাৰে নুমলীগড়ৰ অন্তৰ্গত পশ্চিম মৰঙী বৃহৎ অঞ্চলৰ দোকানসমূহত হঠাৎ অভিযান চলোৱা বুলি ওলোৱা এটা বাতৰিয়ে দোকানীসকলৰ মাজত হাহাকাৰ লগায়। অৱশ্যে মৰঙীৰ কিছু কিছু অঞ্চলত প্ৰসাশনে গুটখা জব্দ কৰি জুলাই দিয়ে। এই কাৰ্যক ৰাইজে সমৰ্থন জনাইছে যদিও ইয়াৰ স্থায়ী সমাধান হোৱাটো বিচাৰিছে। উল্লেখ্য যে আজি কিছুদিনৰ আগতে চৰকাৰৰ তৎপৰতাত ড্ৰাগছ, নিচাযুক্ত টেবলেট, অবৈধ সুৰা আদিৰ বিৰুদ্ধে ডাঙৰ ডাঙৰ অভিযান চলাই জব্দ কৰে।

## বিশ্ব হলৌ দিৱসৰ দিনটোত প্ৰশ্ন কৰিছে বহুজনে

# ‘কাকপথাৰৰ দুষ্প্ৰাপ্য হলৌ বান্দৰক সুৰক্ষা দিব কোনে’

**ই-সংবাদ, ডুমডুমা, ২৩ অক্টোবৰঃ** উজনি অসমৰ তিনিচুকীয়া জিলাখনক এক বাণিজ্যিক কেন্দ্ৰ হিচাপে গণ্য কৰা হয় যদিও এই তিনিচুকীয়া জিলাখন প্ৰাকৃতিক সম্পদ, সাংস্কৃতিক, ধৰ্মীয় তথা আধ্যাত্মিক আদি দিশতো গুৰুত্বপূৰ্ণ ঠাই। উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বিস্তৃত হৈ থকা দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান আৰু তিনিচুকীয়াৰ বাৰেকুৰিত দুষ্প্ৰাপ্য তথা বিৰল প্ৰজাতিৰ হলৌ বান্দৰ(Hoolock Gibbon) পোৱা যায় বুলি অসম তথা ভাৰতৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো জনাজাত। কিন্তু এই তিনিচুকীয়া জিলাৰে কাকপথাৰৰ কাছিজান গাঁৱতো যে হলৌ বান্দৰ পোৱা যায়, এই কথা একেবাৰে কম সংখ্যক লোকেহে জানে। অৱশ্যে, অসমৰ প্ৰেক্ষাপটত কাছিজানৰ এই হলৌ বান্দৰে বহু বছৰ পূৰ্বে চৰ্চা লাভ কৰিছিল যদিও বিষয়টো সন্দৰ্ভত চৰকাৰৰ লগতে বিভাগীয় কৰ্তৃপক্ষ, পৰিৱেশকৰ্মী, প্ৰাকৃতিক পৰিৱেশৰ লগত জড়িত দল-সংগঠন, সংস্থা আদিয়ে আওকাণ কৰাৰ বাবেই কাছিজানৰ দুষ্প্ৰাপ্য হলৌ বান্দৰ আজিও অৱহেলিত হৈ ৰৈছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে, ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত কুমচাং চাহ বাগিচা, কাছিজান গাঁৱৰ গাতে লাগি থকা কাছিজান সংৰক্ষিত বনাঞ্চলত গছ-গছনি কটা প্ৰতিযোগিতা চলিছে। এই ক্ষেত্ৰত স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অৰণ্য ৰক্ষাৰ বাবে থকা একাংশ বন বিভাগৰ কৰ্মচাৰীয়েই বনাঞ্চলখনৰ বন ধ্বংসযজ্ঞৰ সৈতে জড়িত। উল্লেখ্য যে, কাছিজান সংৰক্ষিত বনাঞ্চলৰ দাঁতি কাষৰীয়া গাঁও কাছিজানত বৰ্তমান ৬ টাকৈ হলৌ বান্দৰ বিচৰণ কৰি ফুৰা তথ্য পোৱা গৈছে। অতি শেহতীয়াকৈ আজিও গাঁৱৰখনৰ নৰেন্দ্ৰ মৰাণৰ বাৰীত তিনিটা হলৌ বান্দৰে বিচৰণ কৰা স্বচক্ষে প্ৰত্যক্ষ কৰে তিনিচুকীয়া জিলাৰ যুৱ-পৰিৱেশকৰ্মী, সাংবাদিক পাপুল গগৈয়ে। পাপুল গগৈয়ে নৰেন্দ্ৰ মৰাণক সোধাত নৰেন্দ্ৰ মৰাণে কয় যে কাছিজান গাঁও প্ৰতিষ্ঠা হোৱাৰ আগৰে পৰাই হলৌ বান্দৰ আছিল। এই হলৌ বান্দৰ আৰু কাছিজান গাঁওবাসীৰ মাজত আছে এক নিবিড় সম্পৰ্ক। গাঁওখনৰ দুই যুৱক সপোনজ্যোতি মৰাণ আৰু কনক মৰাণৰ লগতে তিনিচুকীয়া লিহিৰি ইক' ক্লাবৰ সম্পাদক সোণজ্যোতি মৰাণৰ সৈতে পাপুল গগৈয়ে গাঁওখনত চলোৱা এক ক্ষেত্ৰভিত্তিক অধ্যয়ন অনুসৰি, ২০২৩ চনৰ ৩ জুন তাৰিখে উচ্চ ক্ষমতাৰ বিদ্যুত পৰিবাহী তাঁৰত লাগি কৰুণভাৱে মৃত্যু হৈছিল এটা হলৌ বান্দৰৰ। দুষ্প্ৰাপ্য হলৌ বান্দৰৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছিল কাছিজান গাঁওবাসী। অসমীয়া সমাজত মানুহৰ মৃত্যু হ'লে নিয়ম অনুসৰি যেনেকৈ তিলনি, দহা, আদ্যশ্ৰাদ্ধ আদি পতা হয়, ঠিক তেনেকৈ হলৌ বান্দৰৰ মৃত্যুৰ তিনিদিনৰ দিনাও শোকস্তব্ধ কাছিজানবাসীয়ে মৃত হলৌৰ আত্মাৰ মুক্তি কামনা কৰি পালন কৰিছিল শ্ৰাদ্ধ। কাছিজানত থকা হলৌ বান্দৰসমূহ সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। এই সংৰক্ষণৰ দ্বাৰাই হলৌ বান্দৰৰ ওপৰত ভিত্তি কৰি পৰ্যটনৰ স্থলী হিচাপে গঢ় দিলে বৃহত্তৰ অঞ্চলটোৰ বহু যুৱক-যুৱতীয়ে নিশ্চিতভাৱে ইয়াক কৰ্মসংস্থাপনৰ দিশ হিচাপে ল'ব পাৰিব। নিবনুৱা সমস্যাৰো কিছু সমাধান হ'ব। কাছিজান সংৰক্ষিত বনাঞ্চলত হাতী, ছাগলী পহু, বাঘ আদি জীৱ-জন্তু পোৱাৰ উপৰি ই অতি মূল্যৱান বনাঞ্চল হিচাপে পৰিচিত। কিয়নো ইয়াত আছে অসমৰ ৰাজ্যিক তথা জাতীয় গছ হোলোং, দুষ্প্ৰাপ্য লাজুকী বান্দৰ, চৰাই, পখিলা, বিভিন্ন বনৌষধ, গছ-গছনি ইত্যাদি। সেয়ে, এই বনাঞ্চলখন প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত যথেষ্ট চহকী। ইয়াক সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ যথেষ্টখিনি কৰণীয় আছে যদিও কাছিজানৰ হলৌ বান্দৰ সংৰক্ষণৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষণীয় হ'ব।

## উপ-নিৰ্বাচনত সন্মিলিত মৰ্চাৰ পৰাজয় নিশ্চিতঃ বিমল বৰা

# শিৱসাগৰৰ যমুনাৰ পাৰত নতুন ভৱনৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, শিৱসাগৰ, ২৩ অক্টোবৰঃ** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ যমুনাৰ পাৰত আজি ক্ষুদ্ৰ ঔদ্যোগিক ক্ষেত্ৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰাই। অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম পৰিসীমিতৰ অধীনত নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটোৰ প্ৰস্তাৱিত ব্যয় নিৰ্ধাৰণ কৰা হৈছে ২.৬৯ কোটি টকা। আধাৰশিলা স্থাপন কৰি এই কথা সদৰি কৰে মন্ত্ৰী বিমল বৰাই। উদ্যমী ব্যৱসায়ী তথা উদ্যোগী যুৱক-যুৱতীসকলে যাতে ব্যৱসায় সম্প্ৰসাৰণ কৰিব পাৰে, সহায়ক হয় তাৰ বাবে প্ৰকল্পটোৰ অধীনত ২৪ টা কোঠা নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। জিলা প্ৰশাসনৰ বহু কেইগৰাকী শীৰ্ষ বিষয়া, আমোলা উপস্থিত থকা আধাৰশিলা স্থাপন অনুষ্ঠানটোত মন্ত্ৰীগৰাকীয়ে ভৱনটোৰ পৰা হ'ব পৰা উন্নয়ন সম্পৰ্কত ভাষণ প্ৰদান কৰাৰ লগতে বহু সংখ্যক উদ্যমী যুৱক-যুৱতী তথা ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰি চৰকাৰী আঁচনিৰ অধীনত লাভ কৰা ধনৰ সদ ব্যৱহাৰ কৰি স্বাৱলম্বী হোৱাৰ আহ্বান জনায়।অনুষ্ঠানত অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম পৰিসীমিতৰ অধ্যক্ষ কিশোৰ উপাধ্যায়, শিৱসাগৰ পৌৰনেত্ৰী মৃণালিনী কোঁৱৰসহ বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইফালে এই চৰকাৰী অনুষ্ঠানটোৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা আচুতীয়া বাৰ্তালাপত মন্ত্ৰী বিমল বৰাই কয় যে, সমাগত উপ-নিৰ্বাচনত সন্মিলিত মৰ্চাৰ পৰাজয় নিশ্চিত। সেয়া সন্মিলিত মৰ্চাই ইতিমধ্যেই অনুমান কৰিছে। সন্মিলিত মৰ্চাই ঐক্যমতত উপনীত হ'ব পৰা নাই বাবেই বিহালী সমষ্টিত নিজৰ প্ৰাৰ্থী দিব পৰা নাই বুলিও মৰ্চাক কটাক্ষ কৰে মন্ত্ৰীগৰাকীয়ে।

# চৰাইদেউ জিলাত এডিআৰই পৰীক্ষাৰ পূৰ্ণ প্ৰস্তুতি জিলা প্ৰশাসনৰ

**ই-সংবাদ, সোণাৰি, ২৩ অক্টোবৰঃ** চৰাইদেউ জিলাত আগন্তুক ২৭ অক্টোবৰত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিতব্য অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়াটি স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰাৰ হকে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপসমূহ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ ক্ষেত্ৰত জড়িত বিষয়াসকল যেনে পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া, সহকাৰী ভাৰপ্ৰাপ্ত বিষয়াসকল, জিলা আয়ুক্ত আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা নিয়োজিত পৰ্যবেক্ষণ বিষয়াসকল আৰু ফ্লাইং স্কোৱাডৰ বিষয়াসকলৰ এখনি বিস্তৃত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত ডাঃ নেহা যাদৱে তেওঁৰ বক্তব্যত চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষা পৰিচালনা কৰাৰ নিয়োজিত বিষয়াসকলে নিজ নিজ দায়িত্ব সম্পৰ্কে পুংখানুপুংখ জ্ঞান থকাটো অপৰিহাৰ্য বুলি মন্তব্য কৰে। তেওঁ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত অনুষ্ঠিতব্য নিযুক্তি পৰীক্ষাক অত্যন্ত গুৰুত্ব সহকাৰে গ্ৰহণ কৰিবলৈ কয়। তেওঁ কয় যে এই পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি মুঠেই সহ্য কৰা নহ'ব। জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষা প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে আয়োজিত কৰাৰ লগতে যান-জঁট ৰোধ তথা সু-নিয়ন্ত্ৰিত কৰাৰ স্বাৰ্থত জিলাখনত দেওবৰীয়া বজাৰসমূহ বহাটো অহা ২৭ অক্টোবৰৰ বাবে সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ কথা ঘোষণা কৰে। লগতে সেই দিনা পথৰ দাঁতিত বহা নিয়মীয়া হাট-বজাৰসমূহ বন্ধ ৰখা হ'ব বুলিও তেওঁ অৱগত কৰে। জিলা আয়ুক্তগৰাকীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে সোণাৰি আৰু মৰাণ পৌৰসভাৰ কাৰ্যবাহী বিষয়াদ্বয়ক নিৰ্দেশ দিয়ে। পৰীক্ষা কেন্দ্ৰৰ ভিতৰত যিসমূহ সামগ্ৰী লৈ যোৱাৰ ক্ষেত্ৰত ইতিমধ্যে নিষেধাজ্ঞা আৰোপ কৰা হৈছে, সেই সন্দৰ্ভত নীতি-নিৰ্দেশনা সম্বলিত তথ্য জাননী ফলকত আঁৰি পৰীক্ষাৰ্থীসকলক অৱগত কৰাৰ ব্যৱস্থা কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষা কেন্দ্ৰসমূহলৈ যোৱা সংকীৰ্ণ বাট-পথত যান-জঁট তথা জনসমাগম নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সূক্ষ্ম স্তৰত ব্যৱস্থাপনা মজুত ৰাখিবলৈ যান-বাহন আৰক্ষীক নিৰ্দেশ দিয়ে। পুৱা ৯:০০ বজাৰ পৰা দিনৰ ১১:৩০ বজালৈ অনুষ্ঠিত হ'বলগীয়া আগবেলাৰ পৰীক্ষা জিলাখনৰ ১৬ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

## আমগুৰি ৰাজহ চক্ৰ কাৰ্যালয় স্থানান্তৰ কৰাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

# বিধায়ক প্ৰদীপ হাজৰিকা আমগুৰিবাসীৰ বাবে জাতীয় দালাল

**ই-সংবাদ, আমগুৰি, ২৩ অক্টোবৰঃ** সমষ্টি পুনঃনিৰ্ধাৰণত আমগুৰি সমষ্টি কৰ্তন হোৱাৰ পিছত আমগুৰিস্থিত আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টোও আমগুৰিৰ পৰা স্থানান্তৰ কৰাৰ এক নিৰ্দেশনা অসম চৰকাৰে জাৰি কৰাত আমগুৰিত সৰৰ হৈ পৰিছে দল-সংগঠনসমূহ। শিৱসাগৰ জিলাৰ আমগুৰি নগৰ চাৰিআলিত আজি আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয় স্থানান্তৰ কৰাৰ বিৰুদ্ধে কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু বীৰ লাচিত সেনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আৰু বিধায়ক প্ৰদীপ হাজৰিকাৰ প্ৰতিমূৰ্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে প্ৰদীপ হাজৰিকা মুৰ্দাবাদ, জাতিৰ প্ৰতাৰক প্ৰদীপ হাজৰিকা গ' বেক, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয় স্থানান্তৰ কৰিবলৈ দিয়া নহ'ব, বিজেপি গ' বেক, আমগুৰিবাসী ৰাইজৰ প্ৰতাৰক অসম গণ পৰিষদ মুৰ্দাবাদ আদি ধ্বনিৰে পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকাই বিধায়ক প্ৰদীপ হাজৰিকাক আমগুৰিবাসীৰ বাবে জাতীয় দালাল আখ্যা দি কয় যে প্ৰদীপ হাজৰিকাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গাদীৰ স্বাৰ্থত তেল মাৰিবলৈ গৈ অসমৰ মানচিত্ৰৰ পৰা আমগুৰি সমষ্টিটোক নিঃশেষ কৰি পেলালে। তেওঁ গুৱাহাটীস্থিত আমগুৰি ভৱনটো বন্ধকত দিলে, এতিয়া আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয়টো নাজিৰালৈ স্থানান্তৰ কৰিবলৈ হাত উজান দিছে। আমগুৰি আবকাৰী বিভাগটো স্থানান্তৰ কৰাৰ জো-যা চলাইছে। আমগুৰিবাসী ৰাইজক প্ৰতাৰণা কৰি কেৱল লুণ্ঠনৰাজত ব্যস্ত আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰদীপ হাজৰিকাৰ লগ হৈ আমগুৰি সমষ্টিটো নিঃশেষ কৰিলে এতিয়া মুখ্যমন্ত্ৰীয়ে আমগুৰিক সকলো দিশৰ লগতে চক্ৰ বিষয়া কাৰ্যলয়টো স্থানান্তৰ কৰি আমগুৰিবাসী ৰাইজৰ মাজত অথন্তৰ সৃষ্টি কৰিব বিচাৰিছে বুলি মন্তব্য কৰে। তদুপৰি আগন্তুক পঞ্চায়ত নিৰ্বাচনত আৰু বিধানসভা নিৰ্বাচনত বিজেপি আৰু অসম গণ পৰিষদ বিষয়ববীয়াৰ লগতে সৰু সুৰা লিডাৰ বিলাকৰ্কো ভোট বিচাৰি গ'লে খেদি পঠিয়াবলৈ আহ্বান জনাইছে। আনহাতে, বৰ্তমান বিধায়ক প্ৰদীপ হাজৰিকা আচলতে বৰ্তমান বিধায়ক হয় নে নহয় তেওঁৰ স্থিতি কি ৰাইজৰ আগত প্ৰকাশ কৰিবলৈ দাবী জনায় প্ৰতিবাদকাৰীসকলে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকাই বিধায়ক প্ৰদীপ হাজৰিকাক আমগুৰিবাসী আটাইতকৈ কলংকিত বিধায়ক আখ্যা দি বিজেপি আৰু অসম গণ পৰিষদক অসমৰ পৰা উৎসাত কৰিব পাৰিলেহে অসম অসমীয়াৰ হৈ থাকিব বুলি কয়। আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয় আৰু আবকাৰী বিভাগ আমগুৰিৰ পৰা স্থানান্তৰ কৰিব বিচাৰিলে তীব্ৰ আন্দোলন কৰা হ'ব বুলি হুংকাৰ দিয়ে। প্ৰতিবাদস্থলীত ছাত্ৰ মুক্তিৰ আমগুৰি আঞ্চলিকৰ ৰণ্টু শইকীয়া, পল্লৱ শইকীয়া, চন্দন দত্ত, কৃষক মুক্তিৰ শিৱসাগৰ জিলাৰ যুটীয়া সম্পাদক কৰুণা শইকীয়া, বীৰ লাচিত সেনাৰ উদয়াদিত্য বৰা উপস্থিত থাকি নেতৃত্ব প্ৰদান কৰে।

## স্মাৰ্ট মিটাৰ বন্ধ কৰাৰ দাবী

# ৰঙিয়াত বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, ৰঙিয়া, ২৩ অক্টোবৰঃ** স্মাৰ্ট মিটাৰ বন্ধ কৰাৰ দাবীত আজি ৰঙিয়াত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে গোৰেশ্বৰ ৰাজহ চক্ৰৰ তিনিখনকৈ গাঁৱৰ ৰাইজে। ৰঙিয়া নগৰৰ বৈদ্যুতিক উপ-সংমণ্ডল-১ ৰ প্ৰৱন্ধকৰ কাৰ্যালয় চৌহদত বৰফুকনখাত, ৰং মহল আৰু ৰামপুৰ গাঁৱৰ গঞা ৰাইজ সমৱেত হৈ কেইবাটাও দাবী সম্বলিত শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰী ৰাইজে বিদ্যুৎ বিভাগক প্ৰিপেইড স্মাৰ্ট মিটাৰ ওভতাই লোৱাৰ লগতে পূৰ্বৰ পোষ্টপেইড মিটাৰসমূহৰ পুনৰ প্ৰচলন কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰে। এবাৰ বিদ্যুৎ সংযোগ কৰ্তনৰ পিছতে ৰিচাৰ্জ কৰিলে চাৰিশ টকা জৰিমনা ভৰিবলগীয়া হয় বুলি অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। ইফালে প্ৰতিবাদৰ অন্তত বিভাগীয় বিষয়াৰ হাতত উত্থাপিত দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে প্ৰতিবাদকাৰীসকলে।

# বিত্তীয় বেমেজালি, বিতৰ্কৰ আৱৰ্তত ঐতিহাসিক কোবাইকটা সত্ৰ

**ই-সংবাদ, বেৰেজীয়া, ২৩ অক্টোবৰঃ** অসম আৰু অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মভূমি শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ নাতিদূৰত অৱস্থিত দুদৰ্শাগ্ৰস্ত শ্ৰীশ্ৰী কোৱাইকটা সত্ৰ। স্মৰ্তব্য যে, গুৰুজনাৰ নাতি বোৱাৰী আই কনকলতাই গুৰুভিঠা বৰদোৱা আৱিষ্কাৰ কৰিবলৈ আহোতে বৰ্তমান কোৱাইকটা(তেতিয়া আছিল কোব কটা) অঞ্চলৰ মাজেৰে অটব্য হাবি-জংঘল কাটি বাট উলিয়াই গৈ বৰদোৱা আৱিষ্কাৰ কৰিছিল আৰু কোব কটা গাঁৱৰ নামঘৰৰ গুৰু আসনত বিগ্ৰহ স্থাপন কৰি সত্ৰ পাতি থৈ যোৱা বুলি বহু বিগ্ৰজনে মতপ্ৰকাশ কৰি আহিছে। তেতিয়াৰে পৰাই আজি পৰ্যন্ত কোৱাইকটা সত্ৰখনি স্থানীয় কৈৱৰ্ত গাঁওখনৰ ৰাইজে অতি আগ্ৰহেৰে, ভক্তিভাৱেৰে প্ৰতিপাল কৰি আহিছে। পিছে দুখৰ বিষয় যে অন্যান্য সত্ৰসমূহৰ দৰে আজিৰ তাৰিখতো এই দুদৰ্শাগ্ৰস্ত সত্ৰখনি বিভিন্ন কাৰণত উন্নয়ন হোৱা নাই। তথাপি পূৰ্বৰ ঐতিহ্য আৰু পৰম্পৰাক সাৱোগত কৰি ভূমিপুত্ৰ কৈৱৰ্ত সম্প্ৰদায়ৰ দ্বাৰাই সত্ৰৰ কাম-কাজ পৰিচালিত হৈ আহিছে। বিভিন্ন সময়ত চৰকাৰী বা বেচৰকাৰী ব্যক্তি, দল-সংগঠন আহি গৱেষণাধৰ্মী বহু তথ্য সংগ্ৰহ কৰি এই সত্ৰখনিৰ পৰা লৈ যায় যদিও আজিকোপতি চকুত লগাকৈ পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ সত্ৰখনৰহে একো উন্নয়ন হোৱা নাই। ইয়াৰ মাজতে শেহতীয়াকৈ বিতৰ্কত সোমাই পৰিছে এই দুৰ্দশাগ্ৰস্ত সত্ৰখন। কিয়নো সতী ৰাধিকাৰ জন্মস্থান বুলি খ্যাত সত্ৰখনৰ বিষয়ে সংবাদ মাধ্যমে দৃষ্টি গোচৰ কৰাৰ পাছত শেহতীয়াকৈ চৰকাৰী পৃষ্ঠপোষকতাত সত্ৰখনি উদ্ধাৰ আৰু উন্নয়নৰ দিশত কাম-কাজ ৰূপায়ণৰ দিশে আগবাঢ়িব ধৰাৰ সময়তে লাগিছে কেনা। সত্ৰখনিৰ বৰ্তমানৰ পৰিচালনা সমিতিয়ে দিয়া অভিযোগ মতে, সত্ৰৰ বিত্তীয় খেলিমেলিৰ অভিযোগত ভংগ কৰি দিয়া পূৰ্বৰ সমিতিখনে বৰ্তমানেও অধিপত্য বিস্তাৰ কৰিবলৈ গৈ চৰম আহুকালৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, বিত্তীয় খেলিমেলিৰ উপৰি আন একাধিক অভিযোগত অভিযুক্ত পূৰ্বৰ সত্ৰ পৰিচালনা সমিতিখন বিগত ২০২২ চনৰ ৬ এপ্ৰিলত ভংগ কৰি বৰ্তমানৰ সমিতিক ৰাইজে দায়িত্ব অৰ্পণ কৰিছিল। কিন্তু ভংগ কৰি দিয়া উক্ত সমিতিৰ সভাপতি যামিনী দাস আৰু সম্পাদক অচ্যুত দাসে চৰকাৰী কাৰ্যালয়ত অনাধিকাৰ যোগাযোগ কৰা, নিজে ৰচিদ বহী ছপাই অৰ্থ সংগ্ৰহ কৰা আৰু অনুমতি অবিহনে সভা অনুষ্ঠিত কৰি অনিয়ম সংঘটিত কৰি আহিছে। ফলত এনে অবৈধ কাম-কাজত শেহতীয়াভাৱে অতিষ্ঠ হৈ পৰিছে কোবাইকটা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদককে ধৰি কাৰ্যকতাসকল।

# ডিব্ৰুগড় জিলাৰ পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ অক্টোবৰঃ** ডিব্ৰুগড় জিলাৰ পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে, পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ সীমাৰ পুনৰ নিৰ্ধাৰণৰ আগৰ সীমা বা ক্ষেত্ৰৰ আধাৰত খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে। অৱশ্যে চূড়ান্ত ভোটাৰ তালিকা অসম চৰকাৰৰ জাননী অনুসৰি পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ নতুন সীমা নিৰ্ধাৰণৰ ওপৰত আধাৰিত হ'ব। খচৰা ভোটাৰ তালিকা অনুসৰি ডিব্ৰুগড় জিলাৰ অন্তৰ্গত পঞ্চায়তৰ মুঠ ভোটাৰ ৮,৬২,৬১৬ গৰাকী। ইয়াৰে ৪,২১,৩৫৫ গৰাকী পুৰুষ ভোটাৰ, ৪,৪১,২৪৯ গৰাকী মহিলা ভোটাৰ আৰু তৃতীয় লিংগৰ ভোটাৰ ১২ গৰাকী। ডিব্ৰুগড় জিলাৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত ২৩ খন জিলা পৰিষদ সমষ্টি, ৭ খন আঞ্চলিক পঞ্চায়ত, ৯৩ খন গাঁও পঞ্চায়ত, ৯৩০ টা ৱাৰ্ড আৰু ১০৫৭ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। এই ফটোবিহীন খচৰা ভোটাৰ তালিকা অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ অ'ইআৰএমএছ (OERMS) ৱেবছাইট https://ermssec.assam.gov.in/ ত উপলব্ধ কৰা হৈছে। এই ৱেবছাইটত উপলব্ধ খচৰা ভোটাৰ তালিকাত ভোটাৰসকলে তেওঁলোকৰ নাম ইতিমধ্যে ভাৰতৰ নিৰ্বাচন আয়োগে জাৰি কৰা এপিক (EPIC) নম্বৰৰ জৰিয়তে পৰীক্ষা কৰিব পাৰিব।

### মুখ্য অতিথি হিচাপে বিধায়ক মনোৰঞ্জন তালুকদাৰ

# কলগাছিয়াত কমিউনিষ্ট পাৰ্টি মাৰ্ক্সবাদীৰ লোকেল সন্মিলন সম্পন্ন

ই-সংবাদ, কলগাছিয়া, ২৩ অক্টোবৰঃ কলগাছিয়াত ভাৰতৰ কমিউনিষ্ট পাৰ্টি মাৰ্ক্সবাদীৰ দশম কলগাছিয়া লোকেল সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে। আজিৰ অনুষ্ঠানত বিধায়কগৰাকীয়ে কেইবাটাও বিস্ফোৰক মন্তব্য আগবঢ়ায়। তেওঁ কয় যে, বিজেপিয়ে মুকলিভাৱে দুৰ্নীতি কৰে, কেন্দ্ৰীয় চৰকাৰে আবণ্টন দিয়া ৫৫ কোটি টকাৰ গম অসমলৈ আহে, কিন্তু এই গমসমূহ ক'তো বিতৰণ নকৰি মিল বিলাকত দি আটা বনায় আৰু আমাৰ খাদ্য মন্ত্ৰীয়ে প্ৰতি মাহে ৯০ লক্ষ কৰি টকা এই গমৰ পৰা পায়। ভূপেন বৰাৰ পদত্যাগ সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত তেওঁ কয় যে ভূপেন ব্য বৰাই পদত্যাগ পত্ৰ দিম বুলি কৈছে, কিন্তু পদত্যাগ পত্ৰ দিয়া নাই। আমি কৈছো বিহালী সমষ্টিটো এৰি দিব লাগে আৰু বাকী সমষ্টিসমূহত কংগ্ৰেছে খেলিব লাগে। শৃংখল চলিহাই যে এই ধৰণৰ আন্দোলন কৰিছে কোনে পইচা দিছে- বিজেপি দলে দিছে। মুখ্যমন্ত্ৰী প্ৰত্যক্ষভাৱে ইয়াত জড়িত, পইচা দি আন্দোলনত নমাই দিছে মিঞাৰ বিৰুদ্ধে। এতিয়া ইটা ভাটাৰ মালিকৰ পৰাও পইচা লৈছে। আৰু আমাৰ মুখ্যমন্ত্ৰীজনে এই দুৰ্নীতিৰ নেতৃত্বত বহন কৰিছে। ঠিকাৰ পৰা পইচা লয় মুখ্যমন্ত্ৰীয়ে থ্ৰি পাৰ্চেণ্ট। লুণ্ঠনৰ টকাৰে নেতৃত্ব বহন কৰিছে মুখ্যমন্ত্ৰীয়ে। বিজেপিৰ দৰে দুৰ্নীতিগ্ৰস্ত দল দেখা নাই বুলি মনোৰঞ্জন তালুকদাৰে মন্তব্য কৰে। তেওঁ কয় যে বিজেপিয়ে মুকলিভাৱে দুৰ্নীতি কৰে। আজিৰ সভাত চি পি আই এমৰ অন্যান্য নেতাসকলেও ভাষণ প্ৰদান কৰে।

# বিষ্ণু খাৰঘৰীয়ালৈ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী

ই-সংবাদ, মাজুলী, ২৩ অক্টোবৰঃ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক ইতিহাসৰ এক অন্যতম খোজস্বৰূপে বিশ্ববিদ্যালয়খনৰ প্ৰথম দীক্ষান্ত সমাৰোহ অহা ৮ নৱেম্বৰত অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি চলোৱা হৈছে।বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই সঞ্চালনা কৰাৰ লগতে বিভিন্ন বিষয়ত স্নাতকোত্তৰ আৰু অন্যান্য ডিপ্লʼমাৰ বাবে অৰ্হতা আহৰণ কৰা ১৮২ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰিব। তদুপৰি বিশ্ববিদ্যালয়খনৰ বʼৰ্ড অব মেনেজমেণ্টে জনোৱা প্ৰস্তাৱ অনুসৰি অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয় আচাৰ্যই ইতিমধ্যে বিশিষ্ট শিল্পী আন্তৰ্জাতিক খ্যাতিসম্পন্ন অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু সত্ৰীয়া সংস্কৃতিৰ শিল্পী, গৱেষক তথা লেখক, সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক কৰুণা বৰাক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদানৰ বাবে অনুমোদন



জনাইছে। অসমৰ বহুকেইগৰাকী বৰেণ্য শিক্ষাবিদ, বিশিষ্ট সাহিত্যিক, শিল্পী আৰু সমাজকৰ্মীয়ে বিভিন্ন দায়িত্বৰে অংশ লʼবলগীয়া এই দীক্ষান্ত সমাৰোহৰ প্ৰস্তুতি আৰু অন্যান্য কাৰ্যসূচীত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ে জিলা প্ৰশাসন, সংবাদ মাধ্যম আৰু ৰাইজৰ সহযোগিতা কামনা কৰিছে।

# বিশিষ্ট সমাজসেৱক দুৰ্গেশ্বৰ সোণোৱালৰ দেহাৱসান

**ই-সংবাদ, ডুমডুমা, ২৩ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ ধলা-ধাদুম গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিয়নী গাঁও নিবাসী তথা অসম চৰকাৰৰ ভূমিলেখ্য(ৰাজহ) বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী (মণ্ডল) দুৰ্গেশ্বৰ সোণোৱালে আজি মাজনিশা প্ৰায় ১ বজাত ৮৭ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ১৯৩৭ চনত বৰ-ধাদুম গাঁৱত তেওঁ জন্মগ্ৰহণ কৰে যদিও পৰৱৰ্তী সময়ত তেওঁলোকৰ পৰিয়ালটি বালিয়নী গাঁৱত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। চাকৰিকালত নিষ্ঠাৰে দায়িত্ব পালন কৰাৰ সমান্তৰালকৈ দুৰ্গেশ্বৰ সোণোৱালে গাঁও তথা অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজতো জড়িত আছিল। বিশেষকৈ ১৯৫০ চনৰ আগে আগে নতুনকৈ স্থাপন হোৱা বালিয়নী গাঁওখন প্ৰতিষ্ঠা কৰাত তেওঁ অনন্য ভূমিকা পালন কৰিছিল। ১৯৯৮ চনত চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত তেওঁ গাঁৱৰ অন্যতম জ্যেষ্ঠ আৰ্শীবাদীয়া হৈ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন ভাতৃ, এগৰাকী বৌয়েক, দুগৰাকী ভাই-বোৱাৰী, দুগৰাকী ভগ্নী, চাৰিগৰাকী পুত্ৰ-বোৱাৰী, তিনিজন পুত্ৰ, এগৰাকী জী-জোঁৱাই, ১৫ জন পোনাতি-নাতিনীক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত গাঁওখনৰ লগতে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰে।

# মৈৰাবাৰীত ড্ৰাগছ বিৰোধী সভা, ৰাইজক সজাগ হ'বলৈ আহ্বান

**ই-সংবাদ, মৈৰাবাৰী, ২৩ অক্টোবৰঃ** নেহৰু যুব কেন্দ্ৰ, মৰিগাঁৱৰ উদ্যোগত আৰু গ্ৰাম্য উন্নয়ন সংস্থা, মৈৰাবাৰীৰ সহযোগত আজি মৈৰাবাৰী নিউ ছেকেণ্ডেৰী স্কুলত এখনি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হৈ যায়। দীৰ্ঘদিন ধৰি দক্ষিণ মৈৰাবাৰীৰ মৰিশালি তিনিআলিত গঢ় লৈ উঠা অবৈধ নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে সমগ্ৰ মৈৰাবাৰী সমাজ একত্ৰিত হৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। সমান্তৰালকৈ মৰিগাঁও জিলা জমিয়ত উলামাৰ উদ্যোগত মদিনা মছজিদ এলেকাত সমাজ সংস্কাৰ কমিটী গঠন কৰিছে। ভাৰত স্কাউট এণ্ড গাইডৰ মৰিগাঁও জিলা সম্পাদক আজহাৰ উদ্দিন আহমেদে আঁত ধৰা আৰু মৈৰাবাৰী নিউ ছেকেণ্ডাৰী স্কুলৰ প্ৰধান শিক্ষক হাৰুণ ৰচিদৰ সভাপতিত্বত অনুষ্ঠিত ড্ৰাগছ বিৰোধী সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী আৰক্ষী থানাৰ পৰিদৰ্শক পংকজ দাস। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক ছামচুল আলম, সমাজ সেৱক জহিৰুল ইছলাম মুক্তাৰ, গ্ৰাম্য উন্নয়ন সংস্থাৰ সম্পাদক ইমান আলী, অৱসৰপ্ৰাপ্ত ভাৰতীয় আৰ্মী হেকমত আলী, প্ৰাপ্ত শিক্ষক আলহাজ কমৰুল ইছলাম, আকবৰ আলী, মদিনা মছজিদ সমাজ সংস্কাৰ কমিটীৰ সভাপতি মোছাৰফ আলী, আজাদ নগৰ সমাজ সংস্কাৰ সমিতিৰ সভাপতি মানিক মুক্তাৰ, সম্পাদক ইক্ৰামুল হক, মৈৰাবাৰী জ্ঞান বিজ্ঞান বিদ্যাপীঠৰ অধ্যক্ষ ড০ মোস্তাফিজুৰ ৰহমান আদি কৰি অঞ্চলটোৰ গণ্য মান্য ব্যক্তিসকল।

# ৰঙিয়াৰ তৰণীত ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, ৰঙিয়া, ২৩ অক্টোবৰঃ** ৰঙিয়াৰ তৰণীত পৰম্পৰাগতভাৱে উদযাপন কৰি অহা শ্ৰী শ্ৰী কৃষ্ণৰ বাৰোৱাৰী ৰাস মহোৎসৱৰ ৯০ সংখ্যক বৰ্ষৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ১৫ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা মহোৎসৱটি পৰিচালনাৰ্থে বিনোদ কুমাৰ শৰ্মাক সভাপতি, সনাতন কলিতাক কাৰ্যকৰী সভাপতি, তৰুণ কলিতা, ৰজনী মহন্তক উপ-সভাপতি, বলেন শীলক সাধাৰণ সম্পাদক, পৰেশ কলিতা, মকুন্দ ৰাজবংশী, কিশোৰ কলিতাক সহকাৰী সম্পাদক আৰু নৰেন তালুকদাৰক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। আনহাতে, মহোৎসৱ উপলক্ষে আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচীৰূপে অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল থিয়েটাৰ সূৰ্যৰ দুদিনীয়াকৈ নাট প্ৰদৰ্শনৰ দিহা কৰা হৈছে। তেনেদৰে সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মা, মৰ্মিতা মিত্ৰ আৰু বলিউডৰ কণ্ঠশিল্পী পৱন দ্বীপ ৰাজনৰ কণ্ঠৰে সংগীতানুষ্ঠানৰ দিহা কৰা হৈছে বুলি সাংস্কৃতিক বিভাগৰ হৈ সভাপতি লিটন কলিতাই কৰিছে। এই ৰাস মৎহোসৱৰ কাৰ্যসূচীত সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে আয়োজকে।

# ৰতিয়াদহত বেদখলকাৰীৰ কবলৰ পৰা শতাধিক বিঘা ভূমি উদ্ধাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৩ অক্টোবৰঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰৰ অন্তৰ্গত দক্ষিণ ৰতিয়াদহ দ্বিতীয় খণ্ড গাঁৱৰ গংগাধৰ নদী চৰত আজি স্থানীয় দল-সংগঠনৰ তৎপৰতাত বিভাগীয়ভাৱে শতাধিক বিঘা চৰকাৰী মাটি উদ্ধাৰ কৰা ঘটনাত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। জানিব পৰা মতে, গাঁওখনৰ গংগাধৰ নদীৰ চৰৰ বিস্তৰ এলেকাত বিশ বছৰ পূৰ্বে এখন উন্নত মানৰ খেলপথাৰ আছিল। গংগাধৰ নদীৰ গৰাখহনীয়াত কিছু অংশ জাহ যোৱাত ল'ৰা-ছোৱালীবোৰ খেল পথাৰত যাবলৈ কমাই দিয়ে। সেই সুযোগ গ্ৰহণ কৰি ভাৰত-বাংলাদেশ সীমান্তৰ নুৰ জামাল সেখ নামৰ মিঞা এজনে খেল পথাৰখন দখল কৰে। অকল খেল পথাৰেই নহয় ওচৰ-পাজৰৰ চৰকাৰী মাটি বলপূৰ্বক দখল কৰি অবৈধভাৱে খেতি-বাতি কৰি আহিছে। নুৰ জামাল ঠাই ডোখৰত উঠি ৰজা বহি ৰজা হৈ পৰিছে। চৰকাৰী মাটিত খেতি কৰাৰ উপৰি ওচৰ চুবুৰীয়াই খেতি অনিষ্ট কৰিলে দাবি-ধমকি প্ৰদান কৰে। তেওঁৰ সন্ত্ৰাসৰ পৰা বাদ পৰি নাযায় পোহনীয়া জন্তুও। খেতি নষ্ট কৰা গৰু-ছাগলীক ধৰি ঠেং-নেজ কাটি দিয়াৰ দৰে অমানুষিক কাৰ্য চলাই আহিছে। বিগত পাঁচ বছৰৰ পৰা স্থানীয় আক্ৰাছু, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, গংগাধৰ খেল পথাৰ পৰিচালনা সমিতি আৰু ৰতিয়াদহ আৰু কানুবিৰ ৰাইজে খেলপথাৰখন পুনৰুদ্ধাৰৰ দাবী জনাই আহিছে। দীৰ্ঘদিন ধৰি চলাই থকা দাবীৰ পৰিপ্ৰেক্ষিততে আজি আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ৰ তৰফৰ পৰা বিভাগীয় বিষয়া-কৰ্মচাৰীসহ আৰক্ষী বাহিনীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ ৩৯ নং দাগৰ খেলপথাৰখনকে ধৰি শতাধিক বিঘা চৰকাৰী মাটি উদ্ধাৰ কৰি সীমা নিৰ্ধাৰণ কৰি দিয়ে। বিভাগীয় দলটোক আক্ৰাছু, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, গংগাধৰ খেলপথাৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজেও সহযোগ কৰে। আগমনি ৰাজহ চক্ৰ বিষয়াৰ এনে পদক্ষেপক সকলোৱে ভূঁয়সী প্ৰশংসা কৰিছে।

# তামুলপুৰত চৰকাৰী কৰ্মচাৰীৰ ৪ দিনীয়া প্ৰশিক্ষণ আৰম্ভ

**ই-সংবাদ, তামুলপুৰ, ২৩ অক্টোবৰঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগ আৰু খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ৰ সহযোগত আজি তামুলপুৰ জিলাৰ তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলৰ প্ৰথমটো গোটৰ চাৰিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হয়। তামুলপুৰ ছিনিঅ'ৰ ছেকেণ্ডাৰী স্কুল(বাণিজ্য)ত অনুষ্ঠিত হোৱা আজিৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে। জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে এই প্ৰশিক্ষণৰ উদ্দেশ্য হৈছে- উন্নতমানৰ জনসেৱা প্ৰদানৰ বাবে চৰকাৰী কৰ্মচাৰীসকলৰ সামৰ্থ বিকাশ আৰু কৰ্মক্ষমতা বৃদ্ধি কৰা। বিশেষকৈ কৰ্মচাৰীসকলক কাৰ্যালয়ৰ কাৰ্যপ্ৰণালী, হিচাপ-নিকাচ, বিত্ত আদি সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজিৰ কাৰ্যসূচীত প্ৰায় ৭২গৰাকী কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত জিলা আয়ুক্তগৰাকীৰ লগতে অতিৰিক্ত আয়ুক্ত হেমাশ্ৰী খনিকৰ, নিৰ্বাচনী বিষয়া নীল হৰিৎ কৌশিক আৰু তিনিগৰাকী প্ৰশিক্ষক উপস্থিত থাকে।

# ছহিদ বিপিন বসুমতাৰীৰ ২৯ সংখ্যক মৃত্যু বাৰ্ষিকী বাসগৃহত পালন

**ই-সংবাদ, তামুলপুৰ, ২৩ অক্টোবৰঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত ২ নং কেকেৰীকুছি গাঁও তথা পিটিছিএৰ কেন্দ্ৰীয় সদস্য ছহিদ বিপিন বসুমতাৰীৰ ২৯ সংখ্যক মৃত্যু বাৰ্ষিকী আজি নিজ বাসগৃহত অনুষ্ঠিত কৰা হয়। ১৯৪৯ চনত জন্মগ্ৰহণ কৰা প্ৰভাৱশালী নেতা, পিটিছিএৰ ৰঙিয়া জিলাৰ সভাপতিৰ লগতে কেন্দ্ৰীয় সমিতিৰ এগৰাকী সদস্য আছিল ছহিদ বিপিন বসুমতাৰী। আজি তেওঁৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নিজ বাসগৃহত আৰজ(প্ৰাৰ্থনা), শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। মৃত্যু বাৰ্ষিকী অনুষ্ঠান উপস্থিত থাকি পিটিছিএৰ প্ৰস্তুতি কমিটীৰ উপ-সভাপতি বদন চন্দ্ৰ স্বৰ্গীয়াৰীয়ে ছহিদ বিপিন বসুমতাৰীক সুঁৱৰি কয় যে ১৯৬৭ চনৰ ২৭ ফেব্ৰুৱাৰীৰ পৰা অসমৰ ভৈয়াম জনজাতিসকলৰ ভূমিৰ নিৰাপত্তা আৰু অধিকাৰৰ বাবে পিটিছিএ উদয়াচল ৰাজ্য দাবী কৰি আহিছিল। কিন্তু জনজাতি অঞ্চলত জনজাতিসকলৰ সংখ্যা ৩০ শতাংশ থকাৰ দোহাই দি সেই সময়ত কংগ্ৰেছ চৰকাৰে দাবী অগ্ৰাহ্য কৰিছিল। বিদেশী বহিস্কাৰ আন্দোলনৰে শাসনলৈ অহা অসমৰ এজিপি চৰকাৰখনেও পিটিছিএৰ দাবী পোনতে নাকচ কৰি পিটিছিএ ধ্বংস কৰাৰ ষড়যন্ত্ৰহে ৰছিল বুলি তেওঁ মন্তব্য কৰে। আজিৰ এই মৃত্যু বাৰ্ষিকী অনুষ্ঠানত পুত্ৰ নাৰায়ণ বসুমতাৰীৰ লগতে পৰিয়াল, গাঁওবাসী উপস্থিত থাকে।

## কৃষি বিশ্ববিদ্যালয়ত দক্ষতা বিষয়ক দুদিনীয়া বিশেষ কৰ্মশালা

**ই-সংবাদ, যোৰহাট, ২৩ অক্টোবৰঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰশিক্ষণ আৰু নিযুক্তি কোষৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ ব'ৰ্ড ৰুমত আজিৰে পৰা ব্যক্তিত্ব আৰু নিয়োগ বৃদ্ধিৰ কৌশল সন্দৰ্ভত দুদিনীয়া কৰ্মশালা আৰম্ভ হৈছে। কৰ্মশালাত বিশ্ববিদ্যালয়ৰ কৃষি, সামূহিক বিজ্ঞান আৰু ৰেচম অনুষদৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে ছফ্‌ট স্কিল ডেভেলপমেন্টৰ জ্যেষ্ঠ বিশেষজ্ঞ তথা স্কিলফিনিটিৰ প্ৰতিষ্ঠাপক অঞ্জন চৌধুৰী উপস্থিত থাকে। কাৰ্যসূচীৰ আৰম্ভণিতে অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰশিক্ষণ আৰু নিযুক্তি কোষৰ ন'ডেল অফিচাৰ ডঃ অভিজিত বৰাই আদৰণি ভাষণত ছাত্ৰ-ছাত্ৰীৰ বাবে ছফ্‌ট স্কিলৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ডঃ বিনয় কুমাৰ মেধিয়ে অনুষ্ঠানটো উদ্বোধন কৰি ছফ্‌ট স্কিলছ এন ই পি ২০২০ৰ এক অতি গুৰুত্বপূৰ্ণ উপাদান আৰু এই দুদিনীয়া প্ৰশিক্ষণে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰশিক্ষণ আৰু প্লেচমেণ্ট চেলৰ উপ-ন'ডেল বিষয়া ডঃ ৰূপজ্যোতি বৰাই আঁত ধৰা আৰম্ভণি অনুষ্ঠানত ৰেচম মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ দেবজিত বৰা, সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ডঃ মনীষা চৌধুৰী উপস্থিত থাকে।

## মুক্তি পালে 'চোমখোৰ গোৰৈলৈ বিলাই' গানৰ বড়ো এলবামৰ ভিডিঅ'

**ই-সংবাদ, তামুলপুৰ, ২৩ অক্টোবৰঃ** শ্ৰোতা দৰ্শকৰ বাবে যোৱা ২১ অক্টোবৰত তামুলপুৰত মুকলি কৰা হ'ল নৱ প্ৰজন্মৰ কণ্ঠশিল্পী স্মিতা বসুমতাৰীৰ 'চোমখোৰ গোৰৈলৈ বিলাই' শীৰ্ষক গীতৰ এটি ভিডিঅ' এলবাম। প্ৰডিউচাৰ নাগেশ্বৰ বড়োৰ উদ্যোগত নিৰ্মিত ভিডিঅ' এলবামটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰ স্বীকৃত অৱসৰপ্ৰাপ্ত সাংবাদিক আনন্দ ৰামচিয়াৰীয়ে। অনুষ্ঠানত উপস্থিত থাকে প্ৰভাত মহন্ত, চক্ৰেশ্বৰ ডেকা, নিতুল দাসৰ লগতে বিশিষ্ট ব্যক্তিসকলে। ইউটিউব চেনেলত মুক্তিৰ লগে লগে খুব কম সময়ৰ ভিতৰতে সহস্ৰাধিক দৰ্শকে উপভোগ কৰিছে এই ভিডিঅ'টো। NB FILM PRODUCTION চাৰ্জ কৰি ইউ টিউব চেনেলত চাব পাৰিব এই এলবাম ভিডিঅ'। গীতটোত অভিনয় কৰিছে জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়া বড়োৰ লগতে



সহযোগী নৃত্য শিল্পী চানজুলী বড়ো, মায়াশ্ৰী বড়ো, তিনা ৰামচিয়াৰী আৰু জিমি বসুমতাৰীয়ে। এই ভিডিঅ'ই ইতিমধ্যে শ্ৰোতা দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। অনাগত দিনতো আৰু অধিক সুন্দৰ গীতৰ এলবাম শ্ৰোতাক উপহাৰ দিয়াৰ মন বান্ধি ৰাখিছে প্ৰডিউচাৰ নাগেশ্বৰ বড়োৱে।

## চামগুৰিৰ ভেলেউগুৰিত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৩ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰিৰ ভেলেউগুৰি ৰাজহুৱা নাট্যচ'ৰাত আজি স্বাস্থ্য সজাগতা আৰু বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু ঔষধ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। IMA নগাঁও জিলাৰ সৌজন্যত আৰু SIMS MULTISPECIALITY HOSPITAL আৰু বাজিয়াগাঁও নাৰীশক্তি আৰু জাগ্ৰিতি মহিলা মণ্ডল সংগঠনৰ সহযোগত ভেলেউগুৰিত অনুষ্ঠিত হোৱা স্বাস্থ্য সজাগতা সভাৰ লগতে বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু ঔষধ বিতৰণ কাৰ্যসূচী পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হয়। এই স্বাস্থ্য শিবিৰত SIMS MULTISPECIALITY HOSPITAL-ৰ স্বত্বাধিকাৰী ডাঃ অজিত গোস্বামীৰ নেতৃত্বত পাঁচজনীয়া এটি চিকিৎসকৰ দলে উক্ত বিনামূলীয়া শিবিৰটোত উপস্থিত থাকি ৰোগীসকলক চিকিৎসা প্ৰদান কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰা পৰিলক্ষিত হয়। উক্ত বিনামূলীয়া স্বাস্থ্য শিবিৰটোত ডাঃ বিজয়া দত্ত বৰুৱা, ডাঃ পাৰ্থ মুদৈ, ডাঃ মিনহাজুল ইছলাম, ডাঃ অৰিজিনা বেগমৰ লগতে বিভিন্ন বিভাগৰ চিকিৎসক আৰু মেডিচিন বিশেষজ্ঞৰ লগতে দহগৰাকী সহযোগী স্বাস্থ্যকৰ্মী উপস্থিত থাকি স্বাস্থ্য সেৱা আগবঢ়ায়। মঞ্জুল বৰকাকতি আৰু নিহাৰিকা বৰাৰ তত্বাৱধানত আৰু বাজিয়াগাঁও নাৰী শক্তি আৰু জাগ্ৰিতি মহিলা মণ্ডল সংগঠনৰ সদস্যাসকলৰ সহযোগত অনুষ্ঠিত হোৱা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰটোত চামগুৰিৰ বিভিন্ন অঞ্চলৰ কেইবাশতাধিক লোকে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়া ঔষধ লাভ কৰে। উল্লেখ্য যে, এই বিনামূলীয়া স্বাস্থ্য শিবিৰটোৰ জৰিয়তে বৃহত্তৰ চামগুৰিৰ বিভিন্ন অঞ্চলৰ বহুলোক উপকৃত হৈছে বুলি জানিব পৰা গৈছে।

শেষ পৃষ্ঠা

# কে ৰাহুলক দলত নাৰাখে এলএছজিয়ে



**নতুন দিল্লী, ২৩ অক্টোবৰঃ** ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আইপিএলৰ আগন্তুক মেগা নিলামৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে (এলএছজি) ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দলটোৱে বৰ্তমানৰ অধিনায়ক কে এল ৰাহুলক চুক্তিৰ পৰা মুকলি কৰি দিয়াৰ সিদ্ধান্ত লৈছে। ইয়াৰ অৰ্থ হৈছে ৰাহুলে আগন্তুক বৰ্ষৰ আইপিএলৰ মেগা নিলামত অংশগ্ৰহণ কৰিব লাগিব। তাৰ পৰাই যিকোনো ফ্ৰেন্সাইজীয়ে ৰাহুলৰ ওপৰত নিলাম মূল্য আগবঢ়াব পাৰিব। বাতৰি অনুসৰি, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে আগন্তুক ছিজনৰ বাবে মেগা নিলামৰ পূৰ্বে কে এল ৰাহুলক মুকলি কৰি দিবলৈ সাজু হৈছে। আনহাতে, যুৱ ফাষ্ট বলাৰ মায়ংক যাদৱক তেওঁলোকে দলত ৰাখিব বিচৰা খেলুৱৈসকলৰ ভিতৰত এজন। লগতে কেৰিবিয়ান বেটছমেন নিকোলাছ আৰু ভাৰতীয় লেগ স্পিনাৰ ৰবি বিষ্ণয় হৈছে দলটোত চুক্তি বাহাল ৰাখিবলগীয়া আন দুগৰাকী খেলুৱৈ। উল্লেখ্য যে ৰাহুলে বিগত ৩ টা আইপিএল ছিজনৰ বাবে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ফ্ৰেন্সাইজীৰ নেতৃত্ব বহন কৰিছে। কিন্তু প্ৰাপ্ত খবৰ অনুযায়ী, দলীয় মেনেজমেণ্ট ৩২ বছৰীয়া ৰাহুলৰ ষ্ট্ৰাইক ৰেটত সন্তুষ্ট নহয়।



হাৰমতীত আৰজি বৰুৱা সোঁৱৰণী আছু স্বৰ্ণকাপ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা উদ্বোধনৰ এটি মুহূৰ্ত

## ৰাজস্থান ৰয়েলছৰ পৰা ভাল অফাৰ পোৱাৰ সম্ভাৱনা

# আইপিএলৰ নিলামৰ পূৰ্বে ৰিয়ান পৰাগলৈ আহিব পাৰে সুখবৰ

**জয়পুৰ, ২৩ অক্টোবৰঃ** আইপিএলৰ নিলামৰ পূৰ্বে অসম সন্তান ৰিয়ান পৰাগলৈ আহিছে এক সুখবৰ। এইবাৰৰ নিলামত অসমৰ ক্ৰিকেটাৰগৰাকীয়ে লাভ কৰিব পাৰে কোটি-কোটি টকা। খবৰ অনুসৰি এইবাৰ অসম সন্তান ৰিয়ান পৰাগে ১১ কোটি টকাৰ অফাৰ লাভ কৰিব পাৰে। অৰ্থাৎ ৰিয়ান পৰাগক ৰাজস্থান ৰয়েলছে ১১ কোটি টকাৰ বিনিময়ত চুক্তিবদ্ধ কৰিব পাৰে। এইবাৰৰ আইপিএলৰ ৰিটেশ্যন প্ৰক্ৰিয়া আনবাৰতকৈ পৃথক হ'ব। প্ৰথম ৰিটেইন প্লেয়াৰৰ মূল্য হ'ব ১৮ কোটি টকা, দ্বিতীয় ৰিটেইন প্লেয়াৰৰ মূল্য হ'ব ১৪ কোটি টকা, তৃতীয় ৰিটেইন প্লেয়াৰৰ মূল্য হ'ব ১১ কোটি টকা, চতুৰ্থ ৰিটেইন প্লেয়াৰৰ মূল্য হ'ব ১৮ কোটি টকা আৰু পঞ্চম ৰিটেইন প্লেয়াৰৰ মূল্য হ'ব ১৪ কোটি টকা টকা। আনহাতে আনকেপ ভাৰতীয় খেলুৱৈৰ ৰিটেশ্যনৰ বাবদ দলসমূহে ব্যয় কৰিব পাৰিব ৪ কোটি টকা। বিগত ৪ বছৰে বিচিচিআইৰ সৈতে মূল চুক্তিত নথকা, ভাৰতীয় দলৰ হৈ বিগত ৪ বছৰে আন্তঃৰাষ্ট্ৰীয় মেচ নেখেলা ক্ৰিকেটাৰক আনকেপড প্লেয়াৰ হিচাপে গণ্য কৰা হ'ব। প্ৰতিটো দলে এগৰাকীকৈ আনকেপড প্লেয়াৰক ৰিটেশ্যন কৰিব লাগিব। যদিহে দলসমূহে ৫ গৰাকী কেপড প্লেয়াৰ, এগৰাকী আনকেপড প্লেয়াৰ ৰিটেইন কৰে, তেন্তে কোনোধৰণৰ আৰটিএম কাৰ্ডৰ সুবিধা নাপাব। আনহাতে যদিহে দলসমূহ ৪গৰাকী কেপড প্লেয়াৰ, এগৰাকী আনকেপড প্লেয়াৰ ৰিটেইন কৰে, তেন্তে এখন আৰটিএম কাৰ্ডৰ সুবিধা নাপাব। ৰাজস্থান ৰয়েলছৰ প্ৰথম ৰিটেইন প্লেয়াৰ হ'ল সঞ্জু ছেমছন, দ্বিতীয় ৰিটেইন প্লেয়াৰ হ'ব যশস্বী জয়ছোৱাল আৰু তৃতীয় ৰিটেইন প্লেয়াৰ হ'ব পাৰে অসম সন্তান ৰিয়ান পৰাগ। আনহাতে তাৰকা স্পীনাৰ যুজবেন্দ্ৰ চহলৰ বাবে আৰটিএম কাৰ্ড ব্যৱহাৰ কৰিব পাৰে। ৩১ অক্টোবৰৰ পূৰ্বে প্ৰতিটো আইপিএল দলে দাখিল কৰিব ৰিটেশ্যন কৰা খেলুৱৈৰ তালিকা। যদিহে প্ৰকাশিত খবৰ সঁচা হয় তেন্তে ৩১ অক্টোবৰ বা তাৰ পূৰ্বে সম্প্ৰতি ভাৰতীয় দলত সুযোগ লাভ কৰা ৰিয়ান পৰাগলৈ আহিব পাৰে আন এক ডাঙৰ সুখবৰ।

# টি-২০ ক্ৰিকেটত ৩৪৪ ৰানেৰে জিম্বাবৱেৰ নতুন অভিলেখ

**নাইৰোবি, ২৩ অক্টোবৰঃ** টি-২০ আন্তৰ্জাতিক ক্ৰিকেটৰ ইতিহাসৰ সৰ্ববৃহৎ স্ক'ৰৰ নতুন অভিলেখ সৃষ্টি কৰিছে জিম্বাবৱে' দলে। চিকন্দৰ ৰাজা নেতৃত্বাধীন জিম্বাবৱে দলটোৱে গাম্বিয়াৰ বিৰুদ্ধে এখন মেচত ২০ অভাৰত ৩৪৪ ৰান সংগ্ৰহ কৰি এক নতুন বিশ্ব অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। ইয়াৰ আগতে এই অভিলেখ নেপালৰ নামত আছিল। নেপালে মংগোলিয়াৰ বিৰুদ্ধে ৩১৪ ৰান সংগ্ৰহ কৰিছিল। কেনিয়াৰ ৰাজধানী নাইৰোবিত অনুষ্ঠিত টি-২০ বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত গাম্বিয়াৰ বিৰুদ্ধে এই অভিলেখ ৰচনা কৰে দলটোৱে। অধিনায়ক চিকন্দৰ ৰাজাই সুবিশাল অভাৰ বাউণ্ডেৰীৰ বৰষুণৰ সহায়ত দলটোক অতি সহজে বৃহৎ স্ক'ৰৰ দিশে লৈ যায়। ৰাজাই ৪৩টা বলত ১৫টা ছিক্সাৰেৰে ১৩৩ ৰান সংগ্ৰহ কৰে। খেলখনত জিম্বাবৱে দলটোৱে ২৯৯ ৰানৰ বিশাল ব্যৱধানত জয়ী হয়। ৰাজাৰ ১৩৩ ৰানৰ ইনিংছত আছিল ৭টাকৈ বাউণ্ডেৰী। উল্লেখ্য যে, বিগত বৰ্ষৰ এছিয়ান গেমছত নেপালে ৩১৪ ৰান সংগ্ৰহ কৰি এই অভিলেখৰ গৰাকী আছিল। আনহাতে আগশাৰীৰ দলবোৰৰ ভিতৰত ভাৰতে বাংলাদেশৰ বিৰুদ্ধে ২৯৭ ৰান সংগ্ৰহ কৰি অভিলেখ ৰচি থৈছে।



মাত্ৰ ৩৩টা বলত শতক অৰ্জন জিম্বাবৱেৰ ৰাজাৰ

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)